সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ,২৯ সংখ্যা, ২ শাওণ, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 29 Date of Publication- 19 July 2026 Rs. 10.00/-

## নিটি আয়োগৰ বিনিয়োগ বন্ধুত্ব সচকাংকত অসম



ৰঙিলী বাৰ্ত্তাসেৱা- অসমে শেহতীয়াকৈ নিটি আয়োগৰ ‘বিনিয়োগ অনুকূলতা সূচকাংক’ (Investment Friendliness Index)-ত এক অগ্ৰণী ৰাজ্য হিচাপে আত্মপ্ৰকাশ কৰিছে।ৰাজ্যখনৰ এই বৃহৎ সফলতাৰ কথা সামাজিক মাধ্যম এক্সৰ জৰিয়তে সদৰী কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ।নিজৰ এক্স হেণ্ডেলত মুখ্যমন্ত্ৰীয়ে লিখিছে- সুস্থিৰ, উদ্যোগ-বন্ধুত্বপূৰ্ণ নীতি, আইন-শৃংখলা আৰু আন্তঃগাঁথনিৰ বৃহৎ উন্নতিৰ সহায়ত অসমে নিটি আয়োগৰ বিনিয়োগ বন্ধুত্বপূৰ্ণ সূচাংকত ফ্ৰন্ট ৰানাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। উল্লেখ্য যে নিটি আয়োগে প্ৰকাশ কৰা ভাৰতৰ প্ৰথমটো বিনিয়োগ বন্ধুত্বপূৰ্ণ সূচাংকত অসমে পাহাৰীয়া আৰু উত্তৰ-পূবৰ ভিতৰতে সৰ্বাধিক অনুকূল বিনিয়োগ ৰাজ্য হিচাপে স্থান লাভ কৰিছে। মুখ্যতঃ ৰাজ্য চৰকাৰখনৰ কৰ্মক্ষমতা, চৰকাৰী নীতিৰ কাঠামো, ( দুই পৃষ্ঠাত চাওক)

## অত্যাৱশ্যকীয় সামগ্ৰীৰ পিছত এইবাৰ ব্ৰইলাৰ দাম বৃদ্ধি



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ জনতাৰ মূৰত মাধমাৰ। অত্যাৱশ্যকীয় সামগ্ৰীৰ সমান্তৰালকৈ গুৱাহাটীকে ধৰি সমগ্ৰ ৰাজ্যতে শাক-পাচলি, কণীৰ দাম বৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক জুৰুলা কৰি অহাৰ সময়তে বৃদ্ধি পালে ব্ৰইলাৰ কুকুৰাৰ দাম। ৰাইজৰ মূৰত ৰামটাঙোন শোধাই শেহতীয়াকৈ ব্ৰইলাৰ কুকুৰাৰ দাম বৃদ্ধি পালে ২০-৩০ টকা পৰ্যন্ত। উল্লেখ্য যে ছাগলী আৰু লোকেল কুকুৰাৰ মাংসৰ চৰা দামৰ বাবে সাধাৰণ শ্ৰেণীৰ ৰাইজৰ মাজত সুলভ তথা পুষ্টিকৰ খাদ্যৰূপে স্থান লাভ কৰি আহিছে ব্ৰইলাৰ কুকুৰাৰ মাংসই। (দহ পৃষ্ঠাত চাওক)

## কংগ্ৰেছক তিনি তালাক ৯ মুছলমান সংগঠনৰ

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ ১৬, ০০০ গৰাকী ‘জোনাব’ (ধৰ্মীয় গুৰু) আৰু ১৬টা ইছলামিক সংগঠনৰ সৈতে জড়িত ৯ মুছলমান সংগঠনৰ যৌথ মঞ্চই কংগ্ৰেছ দলক আনুষ্ঠানিকভাৱে বৰ্জন কৰি ‘তিনি তালাক’ ঘোষণা কৰিছে। গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদ মেলত কংগ্ৰেছ দলক কঠোৰ নিন্দা কৰি মকিবুৰ ৰহমান আজহাৰীয়ে - কয় যে আৰম্ভণিৰ পৰাই কংগ্ৰেছে ভোটৰ বাবেহে ৰাজ্যৰ মুছলমান সম্প্ৰদায়ক ব্যৱহাৰ কৰিলে। আজিৰ তাৰিখত অসম বিধানসভাত কংগ্ৰেছ দলৰ বিধায়কে যিধৰণে ভূমিকা গ্ৰহণ কৰিব লাগিছিল, সেই ভূমিকা আমি দেখা নাই। কি কাৰণত কংগ্ৰেছী বিধায়কসকলে মুছলমান সমাজৰ হকে মাত মতা নাই আমি নাজানো। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ভূমিকাক প্ৰশংসা কৰি তেওঁ কয় যে আজিলৈকে মুখ্যমন্ত্ৰী ড° শৰ্মাই কংগ্ৰেছী নেতাসকলৰ বিৰুদ্ধে যিবোৰ কথা কৈ আহিছে, সেয়া সকলো সত্য। আজি হয়তো অধিকাংশ মুছলমানে এই কথা উপলব্ধি কৰা নাই যদিও এটা সময়ত সকলোৱে মুখ্যমন্ত্ৰী ড° শৰ্মাই কোৱা কথাবোৰ যে সত্য আছিল, সেয়া নিশ্চয়কৈ ভাবিবলৈ বাধ্য হ’ব। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ বাবে ৰাজহুৱাভাৱে দোৱা জনাই ধন্যবাদ জ্ঞাপন কৰিলে ৮ মুছলিম সংগঠনে। মকিবুৰ ৰহমান আজহাৰীয়ে কয় যে ভাৰতীয় প্ৰকৃত মুছলমান সকলৰ নাম বসুন্ধৰা-৪.০ত অন্তৰ্ভুক্ত হ’লে সুখী হ’ম বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ড° শৰ্মাই। কিন্তু আজিলৈকে মুছলমানৰ ভোটেৰে শাসনৰ গাদী দখল কৰা কংগ্ৰেছে বিধানসভাত প্ৰকৃত মুছলমানে মাটিৰ পট্টা পাব লাগে বুলি এবাৰো দাবী জনোৱা নাই। ইয়াতেই কংগ্ৰেছৰ দুমুখীয়া চৰিত্ৰ ফুটি উঠিছে। সংবাদ মেলত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনকো সমালোচনাৰে থকা-সৰকা কৰি ৮ মুছলিম সংগঠনৰ হৈ আজহাৰীয়ে কয় যে ৰকিবুল হুছেইনৰ ( দুই পৃষ্ঠাত চাওক)




## ৭২সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত উজলিল অসমীয়া ছবি ‘জুইফুল’




ৰঙিলী বাৰ্ত্তাসেৱা- ঘোষণা হ’ল ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা ।নতুন দিল্লীৰ ৰাষ্ট্ৰীয় মিডিয়া চেণ্টাৰত ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে এই বঁটা বিজয়ীসকলৰ নাম ।কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ২০২৪ চনৰ ১ জানুৱাৰীৰ পৰা ৩১ ডিচেম্বৰলৈকে কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণ-পত্ৰ ব’ৰ্ড (চিবিএফচি) ৰ অনুমোদন লাভ কৰা চলচ্চিত্ৰসমূহৰ মাজৰ পৰা বিভিন্ন শাখাৰ ( দুই পৃষ্ঠাত চাওক)

## আজি ফিফা বিশ্বকাপৰ ফাইনেল



ৰঙিলী বাৰ্ত্তাসেৱা- সমগ্ৰ বিশ্বৰ ফুটবল প্ৰেমীৰ দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্ত পৰিবলৈ আৰু মাত্ৰ কেইটামান ঘণ্টা বাকী। নিউয়ৰ্কৰ ঐতিহাসিক নিউয়ৰ্ক নিউজাৰ্চি ষ্টেডিয়ামত অনুষ্ঠিত হ’বলৈ গৈ আছে ফিফা বিশ্বকাপ ২০২৬-ৰ সেই বহু প্ৰত্যাশিত মেগা ফাইনেল। আমেৰিকাৰ স্থানীয় সময় অনুসৰি খেলখন ১৯ জুলাই দেওবাৰে অনুষ্ঠিত হ’ব যদিও ভাৰতীয় সময় অনুসৰি ই ২০ জুলাই, সোমবাৰে নিশা ১২:৩০ বজাত পোনপটীয়া সম্প্ৰচাৰ কৰা হ’ব। এই ঐতিহাসিক খিতাপ দখলৰ যুঁজত অৱতীৰ্ণ হ’ব ফুটবল বিশ্বৰ দুই মহাশক্তি আৰ্জেন্টিনা আৰু স্পেইন। এইখন কেৱল বিশ্বকাপ ফুটবলৰ ফাইনেল মেচ নহয়, এইখন দুটা যুগৰ, দুটা দৰ্শনৰ, দুটা প্ৰজন্মৰ আৰু কোটি কোটি অনুৰাগীৰ সপোনৰ মহাসংঘৰ্ষ। এফালে বিশ্ব ফুটবলৰ জীৱন্ত কিংবদন্তি লিঅ’নেল মেছি, যাৰ বাবে এইখন শেষ বিশ্বকাপ ফাইনেল। আনফালে বিশ্ব ফুটবলৰ নতুন বিস্ময় লামিন য়ামাল, যি নিজৰ প্ৰথম বিশ্বকাপতে ইতিহাস লিখিবলৈ ওলাইছে। সেয়েহে এইবাৰ ফাইনেলক ইতিমধ্যে বিশ্বৰ ক্ৰীড়া বিশেষজ্ঞ সকলে অভিজ্ঞতা বনাম নতুন যুগৰ মহাযুঁজ বুলি অভিহিত কৰিছে। লক্ষণীয় যে ২০২৬ চনৰ ( তিনিপৃষ্ঠাত চাওক)

# মহাকাশত সফলতাৰে উৎক্ষেপণ ৰকেট বিক্ৰম-১ৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ মহাকাশ খণ্ডই আনুষ্ঠানিকভাৱে নতুন যুগত প্ৰৱেশ কৰিছে । ভাৰতৰ প্ৰথম ঘৰুৱাভাৱে নিৰ্মিত ব্যক্তিগত খণ্ডৰ অৰবিটেল ৰকেট বিক্ৰম-ৰ শনিবাৰে উৎক্ষেপণ কৰা হয়। অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটা উৎক্ষেপণ কেন্দ্ৰৰ পৰা মহাকাশলৈ ৰাওনা হ'ল ভাৰতৰ প্ৰথমটো বেচৰকাৰী স্পেচ ৰকেট 'বিক্ৰম-১'। শনিবাৰে ১২.০৫ বজাত এই ৰকেটৰ সফল উৎক্ষেপণ হয়। 'মিছন আগমন'ৰ অধীনত এই ৰকেটৰ উৎক্ষেপণ কৰা হয়। ল' আৰ্থ অৰবিটত ৩৫০ কেজি পৰ্যন্ত পেল'ড বহন কৰিবলৈ সক্ষম বিক্ৰম-১। বিক্ৰম-১য়ে দ্ৰুতগতিত আকাশলৈ উঠি যোৱাৰ লগে লগে সূচনা হ'ল এক ঐতিহাসিক মুহূৰ্তৰ। কেইবাবছৰৰ কাৰিকৰী প্ৰচেষ্টা, পৰীক্ষা-নিৰীক্ষা আৰু উদ্ভাৱনী প্ৰয়াসৰ এক চূড়ান্ত মুহূৰ্তৰ সাক্ষী হ'ল যেন সমগ্ৰ দেশ। এই বিৰল মুহূৰ্তটোৱে মহাকাশ পৰিবহণৰ ক্ষেত্ৰত ভাৰতৰ ভৱিষ্যতক এক নতুন মাত্ৰা প্ৰদান কৰিব পাৰে। স্কাইকট এৰ'স্পেচৰ দ্বাৰা নিৰ্মিত ৰকেটটো মূলতঃ মহাকাশত কৃত্ৰিম উপগ্ৰহ উপনীত কৰোৱাৰ কামত ব্যৱহৃত হ'ব। নিৰ্দিষ্ট কক্ষপথত উপগ্ৰহসমূহক স্থাপন কৰাৰ বাবে ৰকেটটো বিশেষভাৱে নিৰ্মাণ কৰা হৈছে। ই সম্পূৰ্ণ কাৰ্বন কম্প'জিট কাঠামোৰ মাধ্যমত গঠিত। এই ৰকেট নিৰ্মাণত ব্যৱহৃত উপাদান ৰকেট-গ্ৰেড ষ্টীলতকৈ পাতল আৰু বহু বেছি মজবুত। ফলত অন্যান্য ৰকেটতকৈ ইয়াৰ কাৰ্যক্ষমতাও বেছি বুলি দাবী কৰিছে নিৰ্মাতাসকলে। বিক্ৰম-১ৰ সৈতে যি কাৰ্ড আছে তাত দিয়া হৈছে প্ৰধানমন্ত্ৰীৰ বাৰ্তা-বন্দে মাতৰম। তদুপৰি সমগ্ৰ বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা ভাৰতৰ মহাকাশ অভিযানৰ বাবে আহিছে শুভেচ্ছা বাৰ্তা। সেইবোৰকো কাৰ্ডৰ সৈতে পঠিওৱা হৈছে। বিক্ৰম-১ৰ সৈতে গৈছে বিক্ৰম চাৰাভাই, চি ভি ৰমন আৰু এপিজে আব্দুল কালামৰ সৰু সৰু তিনিটা মূৰ্তি। এই ৰকেটৰ সৈতে যি পেল'ডসমূহ মহাকাশলৈ পঠিওৱা হৈছে তাৰ ভিতৰত অন্যতম 'এম্ব্ৰেছ মিছন'। মহাকাশৰ কক্ষপথ আৰু সংলগ্ন এলেকা আৱৰ্জনামুক্ত কৰি ৰাখিবলৈ বিজ্ঞানীসকলে ৰবটিক আৰ্ম প্ৰযুক্তিৰ জৰিয়তে এটা বিশেষ যন্ত্ৰ নিৰ্মাণ কৰিছে। এই যন্ত্ৰটো বিক্ৰম-১ৰ সৈতে পঠিওৱা হৈছে। এইদৰে ভাৰতৰ প্ৰথম বেচৰকাৰী স্পেচ ৰকেটটোৰ সৈতে নতুন এই যন্ত্ৰটোৰো পৰীক্ষা কৰি চোৱা হৈছে। স্কাইৰুট এৰ'স্পেচে এই অভিযানৰ নাম দিছে 'মিছন আগমন'। ৰকেট উৎক্ষেপণৰ অন্তিম ১০ ছেকেণ্ডৰ কাউন্ট ডাউন আৰম্ভ হয় শ্ৰীহৰিকোটাত। কাউন্ট ডাউন শেষ হোৱাৰ লগে লগে উজ্জ্বল কমলা ৰঙৰ শিখা বিয়পাই প্ৰচণ্ড গতিত আকাশ অভিমুখে অগ্ৰসৰ হয় বিক্ৰম-১। ঘন শুকুলা ধোঁৱাই ঢাকি ধৰে সমগ্ৰ এলেকাটো। উৎক্ষেপণৰ ভিডিঅ' প্ৰকাশ কৰিছে ভাৰতৰ মহাকাশ গবেষণা সংস্থা ইছৰোৱে। স্কাইৰুটৰ এই উদ্যোগৰ জৰিয়তে বেচৰকাৰী মহাকাশ গৱেষণাৰ জগতখনত ভাৰতৰ অৱস্থান অধিক সুদৃঢ় হ'ল। ইছৰোৱে জনাইছে যে বিক্ৰম-১ৰ সৈতে ভাৰতত বাণিজ্যিক মহাকাশ উৰণৰ যুঁজ আৰম্ভ হৈ গ'ল।

# কংগ্ৰেছক তিনি তালাক ৮ মুছলমান

ওপৰত আস্থা আছিল বাবেই লাখ লাখ মুছলমানে বিগত লোকসভাত ধুবুৰী সমষ্টিত বৃহৎ ভোটৰ ব্যৱধানত তেওঁক জয়ী কৰাইছিল। কিন্তু বিজয়ী হোৱাৰ পাছত সাংসদ হুছেইনে দিল্লীত একো ভূমিকা নল'লে। দিল্লীলৈ গৈ কেৰম ব'ৰ্ডৰ কথা কোৱা ৰকিবুল হুছেইনে মুছলমান সমাজৰ সমস্যাসমূহ সংসদত উত্থাপন নকৰিলে। আগন্তুক সময়ত ইয়াৰ প্ৰতিফল মুছলমান সমাজে দিব বুলি উল্লেখ কৰি তেওঁ কয় যে অহা লোকসভা নিৰ্বাচনত ৰকিবুল হুছেইনৰ অৱস্থা শোচনীয় কৰা হ'ব। আনহাতে সংবাদ মেলত কংগ্ৰেছ দল তথা সাংসদ ৰকিবুল হুছেইন আৰু বিধানসভাৰ বিৰোধী দলপতি বাজেদ আলী চৌধুৰীক তিনি তালাক দিয়া সন্দৰ্ভতো আজহাৰীয়ে কয় যে কংগ্ৰেছৰ লগত থাকি আজিলৈকে আমাৰ একো উন্নতি নহ'ল। ভোট নিদিয়াৰ পাছতো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত - বিজেপি চৰকাৰে যিমানখিনি সংখ্যালঘুসকলৰ বাবে কৰিছে, সেয়া কংগ্ৰেছে ১৫ বছৰীয়া শাসনতো কৰা নাছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই মুছলমান সমাজৰ কোনোধৰণৰ অন্যায় কৰা নাই। কিন্তু বিগত বছৰ বছৰ ধৰি কংগ্ৰেছে কেৱল ভোটৰ বাবেহে মুছলমানসকলক ব্যৱহাৰ কৰি অন্যায় কৰিছে। আমাক উন্নয়ন লাগে। ৰাজ্যৰ সকলো আলিম সমাজ আৰু ৰছ হাজাৰ জোনাবে আজি এই কথা উপলব্ধি কৰিছে। সেইবাবেই কংগ্ৰেছ দলক তিনি তালাক দিলোঁ। আগন্তুক নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনতো দুই লাখ মুছলমানৰ ভোট বিজেপিক দিয়াৰ কথা ৰাজহুৱাভাবে ঘোষণা কৰি তেওঁ কয় যে কংগ্ৰেছী একাংশ গুণ্ডা বিধায়কৰ বাবেই দুখীয়া মুছলমানসকলৰ বহু মাটি মাতব্বৰৰ হাতত বন্ধী হৈ আছে। ৰাজ্যৰ ৪০০ মাতব্বৰৰ হাতত ৯৬, ৪৯০ বিঘা মাটি আজিও আছে বুলি মন্তব্য কৰি আজহাৰীয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাক এখন সমিতি গঠন কৰি চৰ এলেকাৰ সকলো মাটি জৰীপ কৰিবলৈ আহ্বান জনায়। এই মাতব্বৰসকলক একাংশ কংগ্ৰেছী গুণ্ডা বিধায়কে জীয়াই ৰাখিছে। এইসকলৰ পৰা মাটিখিনি উদ্ধাৰ কৰিব পাৰিলে ৩৬ হাজাৰ দুখীয়া ভূমিহীন মুছলমানে মাটিৰ পট্টা লাভ কৰিব বুলি তেওঁ মন্তব্য কৰে। যদিহে চৰকাৰে এই জৰীপ আৰম্ভ কৰে, তেন্তে কংগ্ৰেছী নেতা-বিধায়কে বাধা প্ৰদান কৰিলেও ৯ মুছলিম সংগঠনে নিজাববীয়াকৈ উদ্যোগ লৈ হ'লেও বাধা দিয়াসকলক ৰাজহুৱাভাৱে বান্ধি ৰাখিব বুলি হুংকাৰ দিয়ে। সংবাদ মেলত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈকো কঠোৰ ভাষাৰে সমালোচনা কৰি আজহাৰীয়ে কয় যে নেতা কাক কয়, সেয়া প্ৰথমে গৌৰৱ গগৈয়ে শিকক। দূৰলৈ যোৱাৰ সলনি বিটিচিত হাগ্ৰামা মহিলাৰীৰ অধীনত তিনি মাহ থাকিলেই গৌৰৱ গগৈয়ে নেতা কাক কয় বুজি পাব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ সংবাদ মেলত আহ্বান জনাই ৮ মুছলিম সংগঠনৰ নেতৃত্বই ৰাজ্যৰ প্ৰকৃত মুছলমানসকলক ভূমিপট্টা দিবলৈ অনুৰোধ জনায়। কংগ্ৰেছে বিৰোধ কৰিলেও প্ৰকৃত মুছলমানক মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড°শৰ্মাক উদ্যোগ ল'বলৈ সংগঠনকেইটাৰ নেতৃবৃন্দই আহ্বান জনায়। আনহাতে আগন্তুক ত লোকপিয়লত ৰাজ্যৰ চৰ-চাপৰিৰ মুছলমান সমাজে নিজৰ মাতৃভাষা অসমীয়া বুলিয়ে লিখিব বুলি সংগঠনকেইটাৰ নেতৃবৃন্দই উল্লেখ কৰি কয় যে আমাৰ মাতৃভাষা অসমীয়া। তাত কোনো দ্বিমত নাই। ইয়াক লৈ একো ৰাজনীতি চাকৰিবলগীয়া নাই। আমি অসমীয়াকে মাতৃভাষা হিচাপে লোকপিয়লত লিখিম। উল্লেখ্য যে সংবাদ মেলত অল আছাম আহলে চুন্নত মাদ্ৰাছা এডুকেচন ব'ৰ্ড, উলামা কাউঞ্চিল বিটিচি, এ ট্ৰাষ্ট আছাম, ৰাষ্ট্ৰীয় উলামা কাউঞ্চিল, ৩৩ আছাম ইছলামিক ৰিছাৰ্চ চেণ্টাৰ, জামাত-উলামা চুন্নী অসম, এ টাঞ্জিম মিলাট আছাম আৰু হেদায়েৎ ইছলাম আছাম নামৰ সংগঠনকেইটাই যৌথভাবে নিজ মন্তব্য প্ৰকাশ কৰে।

# ৰূপনগৰত কিউআৰ স্কেন কৰি ব্যৱসায়ীক লুট

ৰঙিলী বাৰ্ত্তাসেৱা- ডিজিটেল লেনদেনৰ সুবিধাক প্ৰৱঞ্চনাৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে একাংশ অসাধু-চক্ৰই। গুৱাহাটীৰ ৰূপনগৰত কিউআৰ কোড স্কেন কৰি অনলাইনযোগে ধন পৰিশোধ কৰাৰ ভুৱা দাবী কৰি এগৰাকী ক্ষুদ্ৰ ব্যৱসায়ীক ৬ হাজাৰ টকাৰ প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপিত হৈছে। ঘটনাক কেন্দ্ৰ কৰি ভঙাগড় থানাত এজাহাৰ দাখিল হোৱাৰ পিছত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। জানিব পৰা মতে, ৰূপনগৰ এলপি স্কুলৰ সমীপত এখন সৰু দোকান চলাই জীৱিকা নিৰ্বাহ কৰা গায়িত্ৰী শীল নামৰ যুৱতীগৰাকীৰ দোকানলৈ এজন ব্যক্তি আহি সামগ্ৰী ক্ৰয় কৰে। ইয়াৰ পিছত তেওঁ কিউআৰ কোড স্কেন কৰি ৬ হাজাৰ টকা অনলাইনযোগে ট্ৰেন্সফাৰ কৰা বুলি দাবী কৰি দোকানৰ পৰা সামগ্ৰী লৈ ওলাই যায়। কিন্তু কিছু সময় অপেক্ষা কৰাৰ পিছতো ধন গায়িত্ৰী শীলৰ বেংক একাউণ্টত জমা নোহোৱাত তেওঁ সন্দেহ, প্ৰকাশ কৰে। ম'বাইলত লেনদেনৰ তথ্য পৰীক্ষা কৰি তেওঁ বুজি পায় যে কোনো ধন ট্ৰেন্সফাৰ হোৱা নাই আৰু তেওঁ প্ৰৱঞ্চনাৰ বলি হৈছে। ইফালে, অভিযুক্ত ব্যক্তিজনে দোকানৰ পৰা পলায়ন কৰে। ঘটনাৰ পিছত ভুক্তভোগী যুৱতীগৰাকীয়ে ভঙাগড় থানাত এখন এজাহাৰ দাখিল কৰে।

# নিটি আয়োগৰ বিনিয়োগ

পৰিৱেশ আৰু আইন-শৃংখলাৰ দিশটো অধ্যয়ন কৰি বিনিয়োগৰ অনুকূল স্থান হিচাপে নিটি আয়োগে অসমক চিনাক্ত কৰাটো উল্লেখযোগ্য দিশ ৰূপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰীয়ে এই প্ৰসংগত উল্লেখ কৰিছে যে ৰাজ্যৰ শক্তিশালী চৰকাৰী নীতি, অনুকূল প্ৰতিষ্ঠানিক পৰিৱেশ, উন্নত আইন-শৃংখলা, সংযোগৰ আন্তঃগাঁথনি বৃদ্ধি আৰু শিক্ষাৰ উন্নয়নে বিনিয়োগকাৰীক অনুকূল পৰিৱেশ গঢ়ি তোলাত অৰিহণা যোগাইছে। মন কৰিবলগীয়া যে নিটি আয়োগৰ এই সূচাংকই দেশৰ ২৮খন ৰাজ্য আৰু ৮খন কেন্দ্ৰীয়শাসিত অঞ্চলক সামৰি লৈছে। মুখ্যতঃ অনুকূল প্ৰতিষ্ঠানিক পৰিৱেশ, সম্পদ, চৰকাৰী নীতি, কম সুদৰ বোজা, প্যঁনতম শ্ৰমৰ বিঘিনি, উন্নত আইন-শৃংখলা, সংযোগ আন্তঃগাঁথনিৰ ওপৰত গুৰুত্ব, শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত বিনিয়োগ-এই ৮টা স্তম্ভত বিনিয়োগৰ মূল্যায়ন কৰা হৈছে।

# ৭২সংখ্যক ৰাষ্ট্ৰীয়

বিজয়ীসকলৰ নাম ঘোষণা কৰে। ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ তালিকাত অসমীয়া চিনেমাই ফিচাৰ শাখাত শ্ৰেষ্ঠ অসমীয়া সন্মান লাভ কৰিছে কৰিছে 'জুইফুল' (অৰেঞ্জ এণ্ড পাৰ্পল) ছবিখনে । যদুমণি দত্তৰ প্ৰযোজিত আৰু পৰিচালিত 'জুইফুল' ছবিখন পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰ শিতানত শ্ৰেষ্ঠ ছবি হিচাপে ৰজত কমল বঁটাৰে সন্মানিত হৈছে। আনহাতে অকাহিনী চলচ্চিত্ৰ শিতানত 'লাইফ ইন লুম'-এ শ্ৰেষ্ঠ চিত্ৰনাট্য বঁটা লাভ কৰিছে। ইংৰাজী, তামিল, হিন্দী আৰু অসমীয়া ভাষাত নিৰ্মিত 'লাইফ ইন লুম'ৰ চিত্ৰ্যনাট্যকাৰ হ'ল- এডমণ্ড ৰেনছন। অকাহিনী চলচ্চিত্ৰ শিতানত ৰজত কমল বঁটা লাভ কৰা 'লাইফ ইন লুম'-এ লাভ কৰিব ২ লাখ টকা। উল্লেখ্য যে, ইয়াৰ পূৰ্বে 'জুইফুল' (অৰেঞ্জ এণ্ড পাৰ্পল) ছবিখন ২০২৪ চনৰ ভাৰতীয় পেন'ৰামাৰ পৰা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা শাখা লৈ নিৰ্বাচিত হৈছিল । ছবিখনে ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ICFT UNESCO Gandhi Medal ৰ বাবে আন ৯খন আন্তৰাষ্ট্ৰীয় ছবিৰ সৈতে মনোনয়ন লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰোপৰি চলিত বৰ্ষৰ থাৰ্ড আই এছিয়ান ফিল্ম ফেষ্টিভেল, নিৰি ৯ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱকে ধৰি কেইবাটাও ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ছবিখনে সন্মান কৰিবলৈ সক্ষম হৈছে । আনহাতে মন্ত্ৰালয়ে ঘোষণা কৰা মতে, 'আৰ্টিকল-৩৭০' চলচ্চিত্ৰখনে শ্ৰেষ্ঠ পূৰ্ণদৈৰ্ঘ্য চলচ্চিত্ৰৰ সন্মান লাভ কৰে। এই চলচ্চিত্ৰখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰা অভিনেত্ৰী য়ামী গৌতমে শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান লাভ কৰে। আনহাতে, 'চান্দা চেম্পিয়ন' চলচ্চিত্ৰখনত কৰা অভিনয়ৰ বাবে কাৰ্তিক আৰিয়ান আৰু 'ব্ৰহ্মযুগম' চলচ্চিত্ৰখনত কৰা অভিনয়ৰ বাবে মামুট্টীয়ে যুটীয়াভাৱে লাভ কৰে শ্ৰেষ্ঠ অভিনেতাৰ সন্মান। 'আমৰণ' চলচ্চিত্ৰৰ বাবে শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰে ৰাজকুমাৰ পেৰিয়াছামীয়ে। এগৰাকী পৰিচালকৰ দ্বাৰা পৰিচালিত প্ৰথমখন চলচ্চিত্ৰৰ ভিতৰত শ্ৰেষ্ঠতা অৰ্জন কৰে পৰিচালক ৰণদীপ হুদাৰ 'স্বাতন্ত্ৰ্য চাভাৰকাৰ' নামৰ চলচ্চিত্ৰখনে।

# ইণ্টাৰনেট নাথাকিলেও পৰিচয় পত্ৰৰ পৰীক্ষা কৰিব পাৰিব অসম আৰক্ষীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- অসম আৰক্ষীৰ হাতৰ পৰা এতিয়াৰ পৰা সহজে সাৰি নাযাব অপৰাধী । বিশেষকৈ অনুপ্ৰৱেশকাৰী, গাড়ী চোৰ, ড্ৰাগছ সৰবৰাহকাৰী, অস্ত্ৰ সৰবৰাহকাৰীৰ বাবে বিপদ ঘন্টা বাজিছে । ভুৱা পৰিচয়-পত্ৰ, আধাৰকাৰ্ড আদি দেখুৱাই আৰক্ষীৰ চকুত ধূলি মৰা অপৰাধীৰ বিৰুদ্ধে অসম আৰক্ষীয়ে লাভ কৰিছে অ'ভিএছইৰ পঞ্জীয়ন। সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।কাৰণ অসম আৰক্ষীয়ে ইউআইডিএআই (UIDAI)-আধাৰৰ অধীনত অফলাইন ভেৰিফিকেচন চেকিং এণ্টিটী চমুকৈ অ'ভিএছই হিচাপে পঞ্জীয়ন কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ৰাজ্যিক সংস্থা হিচাপে পৰিগণিত হৈছে । ইয়াৰ ফলত ইণ্টাৰনেটৰ নেটৱৰ্ক কমকৈ পোৱা বা নোপোৱা স্থানবোৰোতো নিশা পে'ট্ৰলিং বা টহলদাৰী আৰক্ষীয়ে সহজতে ব্যক্তিক এই পদ্ধতিৰে চিনাক্ত কৰিব পাৰিব। এক্সহেণ্ডেলযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সন্দৰ্ভত উল্লেখ কৰে- আজি অসম আৰক্ষীয়ে ইউআইডিএআই-আধাৰৰ অধীনত অফলাইন ভেৰিফিকেচন ছিকিং এণ্টিটা (অ'ভিএছই) হিচাপে পঞ্জীয়ন কৰা উত্তৰ-পূবৰ প্ৰথমটো ৰাজ্যিক সংস্থা হিচাপে পৰিগণিত অথবা স্বীকৃত হৈছে। এই ব্যৱস্থা কিয় গুৰুত্বপূৰ্ণ, সেই বিষয়েও উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এক্স হেণ্ডেলত কয়- সৰ্বভাৰতীয় স্তৰত তৃতীয় আৰক্ষী বাহিনী হিচাপে অসম আৰক্ষীয়ে অ'ভিএছই হিচাপে স্থান লাভ কৰিছে। অসমৰ অধিকাংশ অংশত পাহাৰীয়া এলেকা, চৰাঞ্চল, সীমান্ত গাঁও ( নপৃষ্ঠাত চাওক)

# চাকৰিৰ পৰা বৰ্খাস্ত এচিএছ বিষয়া অৰূপ কুমাৰ চক্ৰৱৰ্তী

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ জ্যেষ্ঠ এ চি এছ বিষয়া অৰূপ কুমাৰ চক্ৰৱৰ্তীক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। কৰ্তব্যত অৱহেলা, উচ্চ পদস্থ বিষয়াৰ নিৰ্দেশ অৱমাননা আৰু কৰ্মস্থলীত নিয়মিতভাৱে উপস্থিত নথকাৰ অভিযোগত চক্ৰৱৰ্তীক তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ বৰ্খাস্ত কৰিছে অসম চৰকাৰে।এক বিভাগীয় অনুশাসনমূলক কাৰ্যবাহী প্ৰক্ৰিয়াৰ অন্তত ৰাজ্যৰ কৰ্মচাৰী বিভাগে এই নিৰ্দেশ জাৰি কৰিছে। ৰাজ্যপালৰ অনুমোদনমৰ্মে জাৰি কৰা এই নিৰ্দেশনা অনুসৰি, ভৱিষ্যতে তেওঁ যিকোনো চৰকাৰী চাকৰিৰ বাবেও অযোগ্য বিবেচিত হ'ব। উল্লেখ্য যে ২০১১ চনত দক্ষিণ শালমাৰা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া হিচাপে কৰ্মৰত হৈ থকাৰ সময়তে অৰূপ কুমাৰ চক্ৰৱৰ্তীৰ বিৰুদ্ধে ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগে কেইবাটাও গুৰুতৰ অনিয়মৰ অভিযোগ উত্থাপন কৰিছিল। ইয়াৰ পিছতে ২০১১ চনৰে জুলাই মাহত তেওঁক নিলম্বন কৰা হৈছিল। ২০১১ চনৰ ২১ আৰু ২২ ফেব্ৰুৱাৰীত নিৰ্বাচন সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বৈঠকত অনুপস্থিত থকা, ২০১১ চনৰ ১৬ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ দায়িত্ব পালনত চৰম অৱহেলা কৰা, উৰ্ধ্বতন কৰ্তৃপক্ষৰ কোনো অনুমতি নোলোৱাকৈ সঘনাই কাৰ্যালয়ত (দহ পৃষ্ঠাত চাওক)

# মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানক লৈ মন্তব্য উদ্যোগ মন্ত্ৰী বিমল বড়াৰ

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA) সন্দৰ্ভত উদ্যোগ মন্ত্ৰী বিমল বড়াই গুৱাহাটীত এক সংবাদমেল যোগে গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰিছে। জনতা ভৱনত আয়োজিত এক সংবাদ মেলত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান মন্ত্ৰী বিমল বৰাই কয় যে, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ (CMAAA) প্ৰথম পৰ্যায়ৰ চৰকাৰী অনুদান লাভ কৰা ২৫.২৭৭ হিতাধিকাৰীৰ প্ৰায় আধাসংখ্যক হিতাধিকাৰীয়েই দ্বিতীয় কিস্তি বিত্তীয় সাহায্য লাভৰ যোগ্যতা হেৰুৱাইছে।এই সংখ্যাৰ পৰিমাণ ১২, ৩০১জন। এক কঠোৰ চৰকাৰী মূল্যায়ণত প্ৰথম কিস্তিৰ ধনৰ সঠিক ব্যৱহাৰ নকৰাৰ তথ্য পোহৰলৈ অহাৰ পিছতে এই বৃহৎসংখ্যক হিতাধিকাৰীক তালিকাৰ পৰা বাদ পৰিছে। মন্ত্ৰীগৰাকীয়ে স্পষ্টকৈ কয় যে জনসাধাৰণৰ কৰৰ পইচা যাতে সঠিকভাৱে ব্যৱহাৰ হয় আৰু কেৱল প্ৰকৃত যুৱ উদ্যোগীসকলেহে যাতে ব্যৱসায় গঢ়ি তুলিব পাৰে, তাৰ বাবে চৰকাৰে এই কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে।উল্লেখ্য যে প্ৰথম পৰ্যায়ত ৰাজ্যৰ ২৫, ২৭৭ গৰাকী হিতাধিকাৰীক ১ লাখ টকাকৈ বিত্তীয় সাহায্য প্ৰদান কৰা হৈছিল। ইয়াৰে ভিতৰত আছিল ২৫, ০৫৬ গৰাকী সাধাৰণ শ্ৰেণীৰ আৰু ২২১ গৰাকী বৃত্তিধাৰী যুৱক-যুৱতী। পৰৱৰ্তী সময়ত প্ৰতিটো সমষ্টিৰ চৰকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ এই ধন প্ৰস্তাৱিত ব্যৱসায়ত খটুওৱা হৈছেনে নাই আৰু ব্যৱসায়টোৰ অগ্ৰগতি কেনেকুৱা, তাৰ এক বিতং ক্ষেত্ৰভিত্তিক পৰিদৰ্শন চলায়।এই পৰ্যালোচনাৰ অন্তত দেখা গৈছে যে মাত্ৰ ১২, ৯৭৬গৰাকী হিতাধিকাৰীয়েহে দ্বিতীয় কিস্তিৰ বাবে যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। বাকী প্ৰায় ৫০ শতাংশ অৰ্থাৎ ১২, ৩০১জন হিতাধিকাৰীয়েই চৰকাৰী নিয়ম অনুসৰি পুঁজি ব্যৱহাৰ কৰাত ব্যৰ্থ হ'ল। মন্ত্ৰী বৰাই হুংকাৰ দি কয় যে ভৱিষ্যতেও আঁচনিখনৰ সফল ৰূপায়ণ আৰু জবাবদিহিতা নিশ্চিত কৰিবলৈ হিতাধিকাৰীসকলৰ ওপৰত চৰকাৰৰ এনে তীক্ষ্ণ নজৰ সদায় অব্যাহত থাকিব। মন্ত্ৰীগৰাকীয়ে আক্ষেপ প্ৰকাশ কৰি কয় যে আঁচনিৰ প্ৰথম



কিস্তিৰ এক লাখ টকা লৈ দ্বিতীয় কিস্তি দুই লাখ টকাটো ৫০ শতাংশ হিতাধিকাৰীয়ে কিয় ল'ব নোৱাৰিলে সেয়া উদ্বেগৰ বিষয়। তেওঁ কয় যে দ্বিতীয় পৰ্যায়ৰ দুই লাখৰ কিস্তি লাভ কৰাসকলৰ ভিতৰত ১৩২৫ জনে পিএম ইজিপি- পিএম মুদ্ৰালোন আদিৰ লগতে অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা লোনৰ কাৰণে আবেদন কৰিছিল আৰু ইয়াৰে ৩২৯গৰাকীয়ে ১৩.৫৪ কোটি টকা বিত্তীয় প্ৰতিষ্ঠানৰ পৰা লোন লাভ কৰিছে। আনহাতে, সংবাদ মেলতে মন্ত্ৰীগৰাকীয়ে 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ ২.০' (CMAAA ২.০) আঁচনিৰ ( পাঁচ পৃষ্ঠাত চাওক)

# ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সমষ্টিয়ে সমষ্টিয়ে পোন্ধৰ দিনীয়া কৰ্মশালা



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ৰাজ্যজুৰি আয়োজন কৰা গ্ৰীষ্মকালীন কৰ্মশালাসমূহে শিশু-কিশোৰ আৰু যুৱ প্ৰজন্মৰ মাজত সৃষ্টিশীলতা, শিল্প-সংস্কৃতিৰ প্ৰতি আগ্ৰহ আৰু প্ৰতিভাৰ বিকাশত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। এই কৰ্মশালাসমূহত সংগীত, নৃত্য, নাটক, চিত্ৰাংকন, আবৃত্তি, লোকসংস্কৃতি আদি বিভিন্ন বিষয়ৰ ওপৰত অভিজ্ঞ প্ৰশিক্ষকসকলৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হয়। ডিব্ৰুগড় জিলাৰ ছয়টা বিধানসভা সমষ্টিত প্ৰতিটোত দুটাকৈ মুঠ ১২ টা কৰ্মশালা অনুষ্ঠিত হয়। নতুন প্ৰজন্মক অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ সৈতে পৰিচিত কৰোৱাৰ লগতে তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাক বিকশিত কৰাৰ এক সুন্দৰ মঞ্চ প্ৰদান কৰা উদ্দেশ্যে উজনি অসমৰ অন্যতম নৃত্য শিক্ষাৰ প্ৰতিষ্ঠান নৃত্যাংগন কলা কেন্দ্ৰ'ত শুভাৰম্ভ কৰা হয়। জিলা সাংস্কৃতিক উন্নয়ন বিষয়া ডিব্ৰুগড়ৰ সুদৰ্শন বৰাই শুভাৰম্ভ কৰে কৰ্মশালা। সাংবাদিক, লেখক ৰাতুল বুঢ়াগোহাঁইয়ে আঁত ধৰা অনুষ্ঠানত অসম গৌৰৱ বঁটা প্ৰাপক জ্যেষ্ঠ শিল্পী ৰাম ( চাৰি পৃষ্ঠাত চাওক)

# আজি ফিফা বিশ্বকাপৰ

বিশ্বকাপ নিজেই এক নতুন ইতিহাস।প্ৰথমবাৰৰ বাবে ৪৮টা দলে অংশগ্ৰহণ কৰা এই বিশ্বকাপ আমেৰিকা, কানাডা আৰু মেক্সিকো- এই তিনিখন দেশে যুটীয়াভাৱে আয়োজন কৰিছে। মুঠ ১০৪খন মেচ অনুষ্ঠিত হোৱা এই বিশ্বকাপত কেইবাখনো নতুন দেশে প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰে। সেয়েহে এই ফাইনেলখন নতুন যুগৰ বিশ্বকাপৰ প্ৰথম সোণালী অধ্যায় হিচাপে ইতিহাসত চিৰদিনৰ বাবে লিপিবদ্ধ হৈ থাকিব।৩৯ বছৰীয়া লিঅ'নেল মেছিৰ বাবে খেলখন কেৱল এখন ফাইনেল নহয়, এটা যুগৰ অন্তিম অধ্যায়। ২০২২ চনত বিশ্বকাপ জয় কৰাৰ পিছতো তেওঁ পুনৰ এবাৰ দেশক ফাইনেললৈ লৈ আহিছে। চলিত বিশ্বকাপত তেওঁ ৬খন খেলত ৫টা গ'ল আৰু ৩টা এছিষ্ট কৰি পুনৰ প্ৰমাণ কৰিছে যে বয়স তেওঁৰ বাবে কেৱল এটা সংখ্যা। আনহাতে, স্পেইনৰ ১৯ বছৰীয়া লামিন য়ামাল এই বিশ্বকাপৰ আটাইতকৈ উজ্জ্বল তাৰকা। তেওঁৰ দ্ৰুতগতি, ড্ৰিবলিং, নিখুঁত পাছ আৰু গ'ল সৃষ্টিৰ ক্ষমতাই ইতিমধ্যে বিশ্বৰ ফুটবলপ্ৰেমিক আকৃষ্ট কৰিছে। চলিত বিশ্বকাপত ৪টা গ'ল আৰু ৫টা এছিষ্ট কৰা য়ামালে ফাইনেলত গ'ল দিব পাৰিলে বিশ্বকাপ ফাইনেলৰ অন্যতম কনিষ্ঠ গ'লদাতা হিচাপে নতুন অভিলেখ গঢ়িব পাৰে। প্ৰায় ৮২, ৫০০ দৰ্শকৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া এই ফাইনেলৰ মাজতে সামৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব।

# ৩ আগষ্টৰ পৰা পুনৰ মুকলি হ'ব অৰুণোদয় আঁচনিঃমুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ উন্নয়নৰ ৰূপৰেখাৰ বিভিন্ন দিশত আলোকপাত কৰাৰ উপৰি মাচ্চা চাহ উৎপাদন তথা এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পদক্ষেপৰ কথা বিশেষভাৱে উল্লেখ কৰি বৃহস্পতিবাৰে নিশা সামাজিক মাধ্যম ফেচবুক লাইভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। এই লাইভৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্য চৰকাৰে গ্ৰহণ কৰা অৰুণোদয় আঁচনি, নিযুত মইনা আঁচনিৰ পৰা আৰম্ভ কৰি কামাখ্যা কৰিডৰ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ স্মৃতি বিজড়িত মধুপুৰ সত্ৰ আদিৰ লগতে পুথিভঁৰাল, কিতাপৰ অধ্যয়ন আদিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লাইভৰ আৰম্ভণিতে ফিফা বিশ্বকাপ ফুটবলৰ কথা উল্লেখ কৰি ফুটবল অনুৰাগীসকলক শুভেচ্ছাজ্ঞাপন কৰে। তেওঁ বুধবাৰে ইংলেণ্ড আৰু আৰ্জেণ্টিনাৰ মাজত অনুষ্ঠিত ছেমি ফাইনেলখন উপভোগ কৰা বুলিও সদৰী কৰে । খেলখনৰ প্ৰথম অংশত সকলোৱে ইংলেণ্ড জিকিব বুলি ভাবি থাকিলেও আৰ্জেণ্টিনাই দুগ'ল কৰি খেলখনত জয়লাভ কৰাৰ প্ৰসংগতো মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে ১৯৮৬ চনতো ফিফা বিশ্বকাপৰ কোৱাৰ্টাৰ ফাইনেলত ইংলেণ্ড আৰু আৰ্জেণ্টিনাৰ মাজত তয়াময়া প্ৰতিদ্বন্দ্বিতা হৈছিল। কালিৰ খেলখনতো একেই হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কৈ ফাইনেলত অৱতীৰ্ণ হ'বলগা স্পেইন আৰু আৰ্জেণ্টিনাক শুভেচ্ছা জ্ঞাপন কৰে । মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ ভাৰতীয় সমাজ বিশেষকৈ ওড়িয়া সমাজক জগন্নাথ মহাপ্ৰভুৰ ৰথযাত্ৰাৰ শুভেচ্ছা জনায়। জগন্নাথ ৰথযাত্ৰা হিন্দু সনাতনী সমাজৰ এক ধৰ্মীয় উৎসৱ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰী কৰে। এই অনুষ্ঠানৰ সফলতা কামনা কৰি মুখ্যমন্ত্ৰীয়ে সকলোকে শুভকামনা যাঁচে । আনহাতে মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি ৩ আগষ্টত প্ৰতিখন পঞ্চায়তত একোখন সভা অনুষ্ঠিত কৰি অৰুণোদয় আঁচনিৰ ধন বিতৰণ কৰা হ'ব। আনহাতে ৬ আৰু ৭ আগষ্টত বিতৰণ কৰা হ'ব নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ প্ৰ-পত্ৰ। ফেচবুক লাইভযোগে ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে ২ লাখ চৰকাৰী চাকৰিৰ বাবে ৰাজ্য চৰকাৰে দিয়া প্ৰতিশ্ৰুতি পূৰণৰ লক্ষ্যৰে ইতিমধ্যে হাতে-কামে আগবাঢ়িছে। তদুপৰি নিৰ্বাচনৰ বাবে যিবোৰ কল্যাণকামী আঁচনি স্তব্ধ হৈ আছিল, সেই আঁচনিসমূহো আৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই মাচ্চা চাহৰ কথা উল্লেখ কৰি আজি ফেচবুক লাইভযোগে কয়- জাপানৰ এই মাচ্চা চাহ ইতিমধ্যে অসমত মাচ্চা চাহৰ উৎপাদন হৈছে। এইচাহপাত প্ৰতি কিলোগ্ৰামত তিনি হাজাৰ টকাত গুৱাহাটী টী অক্সন চেণ্টাৰৰ জৰিয়তে বিক্ৰী কৰা হৈছে। অসমৰ বাগিচাসমূহত এনেধৰণে মাচ্চা চাহ, অৰ্থডক্স টী উৎপাদনৰ জৰিয়তে চাহৰ ৰপ্তানি বৃদ্ধি কৰিব পাৰি। এই লক্ষ্যৰে এইবাৰ বাজেটত প্ৰতি কিলোগ্ৰাম অৰ্থডক্স চাহপাত, মাচ্চা চাহ বা চিটিচি বিদেশলৈ ৰপ্তানি কৰিলে বিশেষ ৰাজসাহায্য প্ৰদানৰ কথা উল্লেখ কৰা হৈছে। গুৱাহাটীৰ উৰণ সেতুত উলম্ব উদ্যান নিৰ্মাণৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে কয়-উৰণ সেতুসমূহত নিৰ্মাণ কৰিব খোজা হেঙিং গাৰ্ডেন যদি ৰাইজে ভাল পায় তেন্তে আন আন স্থানলৈ সম্প্ৰসাৰিত কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ কেইবাখনো জিলাত সৃষ্টি হোৱা বানৰ কথা উল্লেখ কৰি কয় যে বান এতিয়াও ভয়াৱহ উঠা নাই যদিও চৰকাৰে সকলো সময়তে বানপীড়িত ৰাইজক সহায় কৰিবলৈ সাজু হৈ



(দহ পৃষ্ঠাত চাওক)

# সম্পন্ন নহ'ল জুবিন গাৰ্গৰ দেহৰক্ষী পৰেশ বৈশ্যৰ জামিনৰ শুনানি

ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ দেহৰক্ষী পৰেশ বৈশ্যৰ জামিন আবেদন গ্ৰহণ নকৰিলে আদালতে। উচ্চ ন্যায়ালয়ত জামিন বিচাৰি আবেদন কৰিছিল পৰেশ বৈশ্যই। ন্যায়াধীশ সুস্মিতা ফুকন খাউণ্ডৰ আদালতত পৰেশ বৈশ্যৰ জামিন আবেদনৰ শুনানি হোৱাৰ কথা আছিল যদিও আবেদনখন আদালতে গ্ৰহণ নকৰিলে। ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ আদালতলৈ আবেদনখন হস্তান্তৰ কৰা হ'ল বুলি জানিব পৰা গৈছে। অৱশ্যে পৰৱৰ্তী শুনানি কেতিয়া সম্পন্ন হ'ব এই সন্দৰ্ভত কোনোধৰণৰ তাৰিখ আদালতে দিয়া নাই বুলি জানিব পৰা গৈছে। আনহাতে শিল্পীগৰাকীৰ হত্যাৰ গোচৰৰ বাবে গঠিত ফাষ্টট্ৰেক আদালতত দ্বিতীয় দিনৰ বাবে সাক্ষ্য প্ৰদান কৰিলে শিল্পীগৰাকীৰ ভগ্নী ড° পামী বৰঠাকুৰে। যোৱা ১৪ জুলাইত ফাষ্টট্ৰেক আদালতত ড° পামী বৰঠাকুৰে সাক্ষ্য প্ৰদান কৰিছিল। দ্বিতীয়বাৰৰ বাবে সাক্ষ্য দিয়াৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত ড° বৰঠাকুৰে কয় যে শ্যামকানু মহন্তৰ অধিবক্তাই বিভিন্ন কথা মোক সোধাৰ পাছত সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তায়ো অনলাইনযোগে কেইবাটাও প্ৰশ্ন উত্থাপন কৰিছে। শেষ নহ'ল যদিও আগবেলাৰ ভিতৰত সকলোখিনি সম্পূৰ্ণ (দহ পৃষ্ঠাত চাওক)

# ৰাজ্য চৰকাৰৰ সাংস্কৃতিক


চাচনী, ডিব্ৰুগড়ৰ সাংস্কৃতিক বিষয়া গোপাল টায়েং, ডিব্ৰুগড় বিধানসভা সমষ্টিৰ পৰিদৰ্শক তথা অনাতাঁৰ শিল্পী ভুবন গগৈ, নৃত্যাংগণ কলা কেন্দ্ৰৰ মূল প্ৰশিক্ষক ৰুবী গগৈ সন্দিকৈ আৰু গোলোক ৰাজবংশী উপস্থিত থাকে। নৃত্যাংগণ কলা কেন্দ্ৰ'ই ডিব্ৰুগড় সাহিত্য সভাত আয়োজন কৰা পোন্ধৰ দিনীয়া কৰ্মশালাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এশবছৰীয়া জন্ম জয়ন্তী উপলক্ষে "মোৰ গীতৰ হাজাৰ শ্ৰোতা"-শীৰ্ষক এখনি নৃত্য নাটিকা আৰু আজিও জয়াই ৰিঙীয়াই শীৰ্ষক বুৰঞ্জী মূলক নৃত্য নাটিকা লগতে হাজং জনগোষ্ঠী লোক নৃত্য প্ৰশিক্ষণ দিয়া হ'ব। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অধীনত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত সত্ৰীয়া কলাকৃষ্টি কেন্দ্ৰতো সত্ৰীয়া নৃত্য, লোকনৃত্য আৰু ব্ৰজাৱলী ভাষাত নাট কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। ডিব্ৰুগড় বি এল বেৰীয়া সৰস্বতী শিশু নিকেতনত পোন্ধৰ দিনীয়া এই কৰ্মশালাত ডিব্ৰুগড় বিভিন্ন প্ৰান্তৰ শিশু কিশোৰ সকলে অংশগ্ৰহণ কৰে। মুল প্ৰশিক্ষক মোহন তামুলী সহ কেবাজনো সমল ব্যক্তিয়ে কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ গ্ৰীষ্মকালীন কৰ্মশালাই ৰাজ্যৰ সাংস্কৃতিক পৰিৱেশ সমৃদ্ধ কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

# ইছৰ'ৰ শতাধিক বিজ্ঞানীৰ পদত্যাগ



ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা কেইমাহমানত ভাৰতৰ মহাকাশ গৱেষণা সংস্থা, চমুকৈ ইছৰোৰ ১০০ গৰাকী বিজ্ঞানীয়ে স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰিছে। এনে পৰিস্থিতিত গগণযানকে ধৰি ইছৰোৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পত সমস্যাৰ সৃষ্টি হয়। এতিয়ালৈ যিসকল বিজ্ঞানীয়ে ইছৰোৰ পৰা স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰিছে তেওঁলোকৰ ভিতৰত আছে প্ৰবীণ বিজ্ঞানী ভিক্টৰ যোছেফ টি। তেওঁ ভিএছএছচিত জিঅ'চিংকোনাইছ ছেটেলাইট লঞ্চ ভেহিকল মাৰ্ক-৩ প্ৰকল্পৰ পৰিচালকৰ দায়িত্ব পালন কৰিছিল। এইধৰণৰ গণ অৱসৰ গ্ৰহণৰ ফলত ইছৰোত পৰিব পৰা প্ৰভাৱ সম্পৰ্কত বিশেষজ্ঞ সকলৰ একাংশই মত প্ৰকাশ কৰে যে ভাৰতত মহাকাশ গৱেষণাৰ ক্ষেত্ৰত নতুন নতুন বেচৰকাৰী সংস্থাই প্ৰৱেশ কৰিছে। তেওঁলোকে বিপুল পৰিমাণৰ ধন, উচ্চ পদ আৰু স্বাধীনতা দিবলৈ প্ৰস্তুত এনে বিজ্ঞানীসকলক সম্ভৱতঃ ইয়াৰ ফলতে দলে দলে ইছৰো এৰিবলৈ লৈছে বিজ্ঞানীসকলে। এনে পৰিস্থিতিত স্বেচ্ছামূলক অৱসৰ সন্দৰ্ভত নিয়মৰ সাল-সলনি ঘটাইছে কেন্দ্ৰই। ১৪ জুলাইত এই নিৰ্দেশনা জাৰি কৰিছে কেন্দ্ৰীয় মহাকাশ বিভাগে। বিশেষকৈ এই নিৰ্দেশ পঠিওৱা হৈছে ইউ আৰ ৰাও (দহ পৃষ্ঠাত চাওক)

# অৰুণাচলী বনধ্বংসকাৰী দুৰ্বৃত্তক গুলীওৱাৰ নিৰ্দেশ বনমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা-বিহালী বন্যপ্ৰাণী অভয়াৰণ্যত শেহতীয়াভাৱে সংঘটিত গুলীয়াগুলীৰ ঘটনাৰ লগতে বনাঞ্চল ধ্বংস আৰু ভূমি বেদখলৰ শেহতীয়া পৰিস্থিতিৰ বুজ ল'বলৈ বৃহস্পতিবাৰে অঞ্চলটোত উপস্থিত হয় বনমন্ত্ৰী জয়ন্ত মল্লবৰুৱা। মন্ত্ৰী বৰুৱাই অৰুণাচলী দুৰ্বৃত্তই বেদখল কৰা অঞ্চলত পুনৰ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি তথা বিহালী বনাঞ্চলত বেদখলৰ লক্ষ্যৰে বনভূমি ধ্বংস কৰিবলৈ আহিলেই দেখা মাত্ৰকে গুলীচালনা কৰিবলৈ বনকৰ্মী তথা অসম আৰক্ষীক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে বনাঞ্চল ৰক্ষাৰ স্বাৰ্থত বন্দুকৰ যেতিয়াই প্ৰয়োজন হয়, তেতিয়াই ব্যৱহাৰ কৰিব পাৰিব বুলিও স্পষ্ট ভাষাৰে নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে পৰিদৰ্শনকালত অৰুণাচলী বনধ্বংসকাৰীৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি স্পষ্ট কৰি দিয়াৰ লগতে যোৱা ছমাহৰ ভিতৰত সংৰক্ষিত বনাঞ্চলৰ ৪০০ হেক্টৰ ভূমিত অৰুণাচলীয়ে নতুনকৈ বেদখল কৰা কাৰ্যত ক'ৰবাত নহয় ক'ৰবাত অসমৰ বন বিষয়া জড়িত থকাৰো সন্দেহ প্ৰকাশ কৰে। অৰ্থাৎ অৰুণাচলী বেদখলকাৰীৰ লগতে অসমৰ স্থানীয় কোনো ঘৰশত্ৰু বিভীষণৰূপী বন বিষয়াৰ যোগাযোগ থকাৰ সন্দেহ প্ৰকাশ কৰে বনমন্ত্ৰীগৰাকীয়ে। এই বন বিষয়াৰ জৰিয়তে অৰুণাচলী বেদখলকাৰীলৈ বাৰ্তা গৈ থকাৰ সন্দেহ প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত সন্দেহ থকা বন বিষয়াৰ চিডিআৰ পৰীক্ষা কৰাৰ কথাও সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে। উল্লেখ্য যে বিহালী সংৰক্ষিত বনাঞ্চলৰ ব্যাপক ধ্বংসৰ খবৰ পোৱাৰ পিছতে মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত বন বিভাগৰ জ্যেষ্ঠ বিষয়া, অসম আৰক্ষী আৰু (দহ পৃষ্ঠাত চাওক)

# অসম চুক্তি ৰূপায়ণত সম্পূৰ্ণ দায়বদ্ধ চৰকাৰঃমন্ত্ৰী অতুল বৰা

ৰঙিলী বাৰ্ত্তাসেৱা- বৰ্তমানৰ ৰাজ্যৰ বিজেপি মিত্ৰজোটৰ চৰকাৰখন অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে আৰু সম্পূৰ্ণভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে দায়বদ্ধ। ৰাজ্য চৰকাৰে ইয়াৰ বাবে এক সুকীয়া অসম চুক্তি ৰূপায়ণ বিভাগৰ জৰিয়তে নিয়ন্ত্ৰণ আৰু পৰ্যবেক্ষণৰ কাৰ্যসূচী চলাই আছে। সদনৰ মজিয়াত অসম চুক্তি ৰূপায়ণ সন্দৰ্ভত পুনৰ এই অংগীকাৰ অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাৰ। চলিত অসম বিধানসভাৰ বাজেট অধিৱেশনৰ অষ্টম দিনা বুধবাৰে সদনত বিধায়ক নুৰুল ইছলামে অসম চুক্তি ৰূপায়ণ সন্দৰ্ভত উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ দি অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই কয় যে Foreigners Act, 1946;Passport (Entry into India) Act, 1920, Immigration and Foreigners Act, 2025 আৰু Citizenship (Amendment) Act, 2019ৰ সংশ্লিষ্ট ধাৰামতে অসমলৈ অবৈধভাৱে অহা যিসকল ব্যক্তি অবৈধ বিদেশী হিচাপে পৰিগণিত হয়, সেইসকল ব্যক্তিক অসমত অবৈধ বিদেশী হিচাপে চিনাক্ত কৰা হয়। অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই লগতে জনায় যে ভাৰত চৰকাৰৰ ( নপৃষ্ঠাত চাওক)

# যোৰাবাটৰ বান সমস্যা সমাধানৰ বাবে আবণ্টন দিব ১৫০ কোটি টকাঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- বাজেট বিতৰ্কত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰিংৰোড মাষ্টাৰ প্লেনত যোৰাবাটত সৃষ্টি হোৱা সমস্যাৰ সমাধানৰ বাবে ১৫০ কোটি টকা আবণ্টন দিয়াৰ কথা উল্লেখ কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়- 'গুৱাহাটীৰ ৰিং ৰোড পৰিকল্পনা যোৰাবাটৰ কৃত্ৰিম বানৰ পৰা উদ্ভৱ হোৱা সমস্যাৰ পৰা আমি যাতে উদ্ধাৰ হ'ব পাৰোঁ, তাৰ বাবে ৰিং ৰোডৰ মাষ্টাৰ প্লেনত ডেৰশ কোটি টকা আবণ্টন দি থোৱা হৈছে। এই ৰিং ৰোডৰ নক্সা ইতিমধ্যে প্ৰস্তুত হৈ আছে আৰু এইনক্সা আইআইটি, গুৱাহাটীৰ দ্বাৰা অনুমোদন দিবলৈ নিৰ্দেশ দিয়া হৈছে।' মুখ্যমন্ত্ৰীয়ে এই প্ৰসংগতে কয়-'ৰিং ৰোডৰ কাম আৰম্ভ হোৱাৰ লগে লগে যোৰাবাটত সৃষ্টি হোৱা সমস্যাও সমাধান কৰিব পৰা যাব। যোৰাবাট যিহেতু অসম-মেঘালয়ৰ কেন্দ্ৰবিন্দু, তাত বিভিন্ন সময়ত যান-জটৰ সৃষ্টি হয়। সেয়েহে ডিগাৰৰ পৰা নাৰেংগীলৈ অহা পথটো চাৰিলেনযুক্ত কৰিব বিচৰা হৈছে। যাতে জাগীৰোড বা উজনিৰ দিশৰ পৰা অহা লোকসকলৰ এটা অতিৰিক্ত পথ হয়।' লক্ষ্যণীয় বিষয় যে বিগত কেইদিনত ( নপৃষ্ঠাত চাওক)

# মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ

অগ্ৰগতিৰ কথাও ঘোষণা কৰে। এই দ্বিতীয় সংস্কৰণৰ বাবে চৰকাৰে প্ৰায় ৭৫, ০০০ আবেদন লাভ কৰিছিল, যাৰ ভিতৰত ৭৪, ৬৯৪ গৰাকী আবেদনকাৰীক বিত্তীয় সাহায্যৰ বাবে চূড়ান্তভাৱে নিৰ্বাচন কৰা হৈছে। ইয়াৰ ভিতৰত ৭৪, ৩৫০ গৰাকী সাধাৰণ শ্ৰেণীৰ আৰু ৩৪৪ গৰাকী পেছাদাৰী শ্ৰেণীৰ হিতাধিকাৰী। ইতিমধ্যে তেওঁলোকৰ একাউণ্টত প্ৰথম কিস্তিৰ ৭৫, ০০০ টকা জমা কৰি দিয়া হৈছে। এতিয়া অৱশিষ্ট ২৫, ০০০ টকা মুকলি কৰি দিয়াৰ পূৰ্বে প্ৰতিগৰাকী হিতাধিকাৰীৰ বাবে নিজ নিজ সমষ্টিত তিনিদিনীয়া এক বিশেষ প্ৰশিক্ষণ শিবিৰ বাধ্যতামূলক কৰা হৈছে। কৃষি, গাহৰি পালন, তাঁতশিল্প, হিচাপ-নিকাচ আদি বিভিন্ন আত্মসংস্থাপনমূলক বিষয় সামৰি লোৱা এই প্ৰশিক্ষণসমূহ অহা ৩১ জুলাইৰ ভিতৰত সম্পূৰ্ণ হ'ব আৰু তাৰ ঠিক পিছতেই, অৰ্থাৎ আগষ্ট মাহৰ প্ৰথম সপ্তাহতে বাকী থকা ধনখিনি হিতাধিকাৰীৰ একাউণ্টলৈ পঠিয়াই দিয়া হ'ব। অসমত স্বনিয়োজন আৰু স্বাৱলম্বনৰ এক নতুন জোৱাৰ আনিবলৈ চৰকাৰে লোৱা এই সপোনক বাস্তৱায়িত কৰিবলৈ হ'লে কেৱল চৰকাৰী অনুদানেই নহয়, যুৱপ্ৰজন্মৰো সমান দায়িত্বশীলতাৰ প্ৰয়োজন বুলি মন্ত্ৰী বৰাই সোঁৱৰাই দিয়ে।

# মুখ্যমন্ত্ৰীৰ ভাষণত বাৰে বাৰে বাধা দিয়াৰ বাবে অখিলক সদনৰ পৰা বহিষ্কাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- চলিত বাজেট অধিৱেশনৰ অষ্টমটো দিনত অসম বিধানসভাত মুখ্যমন্ত্ৰী আৰু অখিল গগৈৰ মাজত তীব্ৰ তৰ্ক বিতৰ্কৰ সূত্ৰপাত হয়। বাজেটক লৈ মুখ্যমন্ত্ৰীৰ ভাষণৰ মাজতে বাৰে বাৰে বিৰোধিতা কৰে অখিল গগৈয়ে। অধ্যক্ষই কেইবাবাৰো সকিয়নী দিয়াৰ পাছতো অখিল গগৈয়ে পুনৰ মাত মতাৰ সময়তে গগৈক এদিনৰ বাবে বহিষ্কাৰ কৰে অধ্যক্ষই। চলিত বাজেট অধিৱেশনত মুখ্যমন্ত্ৰীৰ ভাষণৰ মাজত কোনো বিধায়কে মাত মাতিব নোৱাৰিব বুলি বিধান সভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে ৰুলিং দিছিল যদিও সেই নিয়ম ভংগ কৰিলে অখিল গগৈয়ে। শিৱসাগৰৰ বিধায়ক অখিল গগৈক অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে বাৰম্বাৰ সকীয়াই থকাৰ পিছতো সদনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ভাষণৰ মাজত মাত মাতি তথা তেওঁৰ বক্তব্যৰ বিৰোধিতা কৰি সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰাৰ বাবে বিধানসভাৰ বাজেট অধিৱেশনৰ অষ্টমটো দিনত সদনৰ পৰা দিনটোৰ বাবে বহিষ্কৃত হয় অখিল গগৈ। অসম বাজেট ২০২৬-২৭ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে ভাষণ দিয়াৰ ( নপৃষ্ঠাত চাওক)

# জেকে আৰ্কিটেক্ট অৱ দ্য ইয়েৰ বঁটা প্ৰদান মুখ্যমন্ত্ৰীৰ




ৰঙিলী বাৰ্ত্তাসেৱা- জে কে সংস্থাৰ দ্বাৰা গুৱাহাটীত আয়োজিত এক অনুষ্ঠানত অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ৩৫সংখ্যক 'জে কে আৰ্কিটেক্ট অব দ্য ইয়েৰ-২০২৬' বঁটা প্ৰদান কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ উপৰি জে কে চিমেণ্টৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড° ৰঘুপতি সিংঘানিয়া, উপাধ্যক্ষ ড° নিধিপতি সিংঘানিয়াকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাৰত তথা চুবুৰীয়া দেশসমূহৰ বঁটাপ্ৰাপক-সকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে বিগত চাৰে তিনি দশক ধৰি স্থাপত্যৰ ক্ষেত্ৰখনৰ উৎকৃষ্ট কৰ্মৰাজিক স্বীকৃতি প্ৰদানৰ অৰ্থে এখন সন্মানীয় মঞ্চ গঢ়ি তোলাৰ দিশত জে কে সংস্থাই লোৱা ভূমিকাৰ শলাগ লয়। এই অনুষ্ঠানক স্থাপত্যৰ উৎকৰ্ষ, উদ্ভাৱন আৰু বহনক্ষম নক্সাৰ এক মহোৎসৱ বুলি অভিহিত কৰি তেওঁ কয় যে দেশ-বিদেশৰ স্থপতিবিদসকলৰ অংশগ্ৰহণে বঁটা প্ৰদান অনুষ্ঠানটোক এক আন্তঃৰাষ্ট্ৰীয় মঞ্চলৈ ৰূপান্তৰিত কৰিছে। ই য়ে সৃজনশীলতা, পেছাদাৰী উৎকৰ্ষ আৰু যৌথ সহযোগিতাক অধিক শক্তিশালী কৰি তুলিছে বুলিও তেওঁ মন্তব্য কৰে। স্থাপত্য কেৱল দৃষ্টিনন্দন অট্টালিকা নিৰ্মাণতে সীমাবদ্ধনহয়, বৰং ই এক সভ্যতাৰ যুগমীয়া চিহ্ন বুলি মন্তব্য কৰি ড° শৰ্মাই কয়- 'এখন সভ্যতাৰ নিৰ্মাতাসকল ইতিহাসৰ বুকুত বিলীন হৈ যোৱাৰ পিছতো তেওঁলোকে সৃষ্টি কৰা স্থাপত্যসমূহে সেই যুগৰ কাহিনী বৰ্ণনা কৰে। স্থাপত্য হৈছে এনে এক যুগজয়ী কীৰ্তি, যাৰ জৰিয়তে ইতিহাসে ভৱিষ্যতৰ সৈতে কথা পাতে!' মুখ্যমন্ত্ৰীয়ে জে কে আৰ্কিটেক্ট অৱ দ্য ইয়েৰ বঁটাৰ জৰিয়তে স্থাপত্য কলাৰ উৎকৰ্ষ, উদ্ভাৱন আৰু জ্ঞান-চৰ্চাক আগুৱাই নিয়াৰ ক্ষেত্ৰত জে কে সংস্থাই লোৱা প্ৰচেষ্টাৰ শলাগ লয়। ভাৰতৰ সমৃদ্ধ স্থাপত্য ঐতিহ্যৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে সিন্ধু সভ্যতাৰ সু-পৰিকল্পিত নগৰসমূহৰ পৰা আৰম্ভ কৰি ভাৰতৰবিভিন্ন মন্দিৰ, অজন্তা-ইলোৰাৰ শিলত কটা গুহা, বিশাল দুৰ্গ, বৌদ্ধ বিহাৰ আদিয়ে দেশৰ স্থাপত্য পৰম্পৰাই জ্ঞান, কাৰিকৰী দক্ষতা আৰু শিল্প-সৌন্দৰ্যৰ এক অসাধাৰণ ধাৰাক প্ৰতিফলিত কৰে। তেওঁ লগতে কয় যে এছিয়া আৰু আফ্ৰিকাৰ স্থাপত্যশৈলীৰ ৰূপ আৰু আৰ্হি ভিন্ন হ'লেও মানৱ জীৱন সমৃদ্ধ কৰা আৰু সাংস্কৃতিক স্মৃতি সংৰক্ষণৰ দিশত থকা একমুখী উদ্দেশ্যই এই দুয়োটা শৈলীকে একতাৰে বান্ধি ৰাখিছে। মুখ্যমন্ত্ৰীয়ে ভাষণত ভাৰতীয় পৰম্পৰাগত স্থাপত্য দৰ্শনৰ চিৰন্তন প্ৰাসংগিকতাৰ ওপৰতো আলোকপাত কৰে। বাস্তুশাস্ত্ৰৰ নীতিৰ কথা উল্লেখ কৰি তেওঁ কয় যে ভাৰতীয় স্থাপত্যই ঐতিহাসিকভাৱে জলবায়ু-অনুকূল নক্সা, পোহৰৰ স্বাভাৱিক প্ৰবেশ, বায়ুৰ সুচল চলাচল আৰু পৰিৱেশ-সংবেদনশীলতাৰ জৰিয়তে পৰিৱেশ, প্ৰকৃতি আৰু মানৱৰ জীৱনৰ মাজত সমন্বয় স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ কয় যে এই নীতিসমূহে আজিও বিশ্বজুৰি বহনক্ষম স্থাপত্য-চৰ্চাক প্ৰভাৱিত কৰি ৰাখিছে। অসমৰ স্থাপত্য ঐতিহ্যৰ এক দীঘলীয়া ইতিহাস আছে বুলি মন্তব্য কৰি ড° শৰ্মাই আহোম যুগৰ অভিযান্ত্ৰিক ( নপৃষ্ঠাত চাওক)

# সময়ত লোৱা সু সিদ্ধান্তই জীৱন ধুনীয়া কৰে

নমিতা দাস, শুৱালকুছি

সু সিদ্ধান্তই জীৱনৰ বাট নিৰুপন কৰে। সময় হৈছে জীৱনৰ আটাইতকৈ মূল্যবান সম্পদ। সময়ৰ মূল্য বুজি হাতলৈ অহা সুযোগ আৰু সুবিধাৰ শুদ্ধ প্ৰয়োগ আৰু সুস্থ সিদ্ধান্তত উপনীত হৈ সময়ৰ কাম সময় মতে নকৰিলে সময় শেষ হোৱাৰ পিছত পৰিতাপৰ অগনীত দগ্ধ হ'লেও সেই সময় বা সিদ্ধান্ত দুনাই সলনী কৰিব পৰা নাজায়।

নিপুণ ভাবে জীৱনটো বুজি পাব লাগিব তেতিয়াহে সু সিদ্ধান্ত ল'বৰ বাবে সুস্থ মানসিকতা গঢ়ি উঠিব। জীৱনৰ বাটত গভীৰ ভাবে কৰা চিন্তনে জীৱনটোক সহজ আৰু সৰল কৰি সিদ্ধান্ত লোৱাত সহায় কৰে। কোনো কোনো সময়ত জীৱনটো আগুৱাই নিবলৈ যেতিয়া কিছুমান সিদ্ধান্ত লোৱা হয় তেতিয়া এটা সুস্থ মন আৰু মগজুৰে লোৱা সিদ্ধান্তই ভবিষ্যত পোহৰাই তোলে।জীৱনৰ অভিজ্ঞতাবোৰে সিদ্ধান্ত লোৱাত সহায় কৰে।

কেতিয়াবা কিছুমান সিদ্ধান্ত বিষয়টোৰ প্ৰতিজ্ঞান নথকাকৈ বা নজনাকৈ লোৱাৰ ফলত সিদ্ধান্তটো লোৱাত ভুল হৈ যায়। অজ্ঞাতে বা কোমল মনৰ আৱেগৰ বশবৰ্ত্তী হৈ বিবেচনা নকৰাকৈ যিকোনো সিদ্ধান্ত হুৰ-মূৰ কৈ লোৱাৰ ফলতো বিপদৰ সন্মুখিন হ'ব লগাত পৰে। যি সিদ্ধান্ত লোৱা হয় তৎখনিক ভাবে নলৈ ভাবি চিন্তি সুস্থ ভাবে অভিজ্ঞ ব্যক্তিৰ লগত আলোচনা কৰি ললে এটা সুস্থিৰ সিদ্ধান্তত উপনিত হব পাৰি। আকৌ মানুহৰ বেগি মনে প্ৰয়োজনীয় সকলো পোৱাৰ পিছতো আকৌ উৰ্ধ মুখী অভিলাষে কেতিয়াবা সিদ্ধান্ত লৈ বিপদ নমায় অনাও দেখা যায়।

আমি কিবা নহয় কিবা এটা সিদ্ধান্ত ল'ব লগা হলে, বিষয়টোৰ গভীৰতা সুন্দৰকৈ ভাব-চিন্তা কৰাৰ প্ৰয়োজনটো আছেই লগতে অধ্যায়নৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। কিতাপৰ জ্ঞান আৰু জীৱনৰ জ্ঞানৰ মাজত যথেষ্ট ব্যৱধান পৰিলক্ষিত হয়। কিতাপৰ জ্ঞানে মানুহক শিক্ষাৰ পোহৰ দিয়ে, চাৰ্টিৰ্ফিকেট দিয়ে। কিন্তু জীৱনৰ জ্ঞানে মানুহক অভিজ্ঞ কৰি তোলে। এটি সু-সিদ্ধান্তই জীৱনটো পোহৰাই তোলে। বিশেষকৈ যুৱ অৱস্থাত বা কুমলীয়া বয়সতে বুজি নোপোৱাকৈ লোৱা সিদ্ধান্তৰ বাবে গোটেই জীৱনটো অনুশোচনাত দগ্ধ হ'ব লগাত পৰে আকৌ যদি তেনে কুমলীয়া সময়তে শুদ্ধ সিদ্ধান্ত এটা লোৱা হয় জীৱনৰ অন্তিম সময়লৈ সুখ সমৃদ্ধিৰে উপচি পৰে। অনুতপ্ত হ'ব লগিয়া নহয়।


আচলতে কেতিয়াবা ভুল সিদ্ধান্তই মানুহক সময়ৰ লগত চলিবলৈ শিকাই যদিও আকৌ কিছুমান সিদ্ধান্ত লোৱাৰ পিছত সলনি কৰিব নোৱাৰি শিলৰ ৰেখাৰ দৰে গোটেই জীৱনে সেই সিদ্ধান্ত নাগ পাশৰ দৰে মেৰিয়াই ধৰে। জীৱন হৈ পৰে ভয়াবহ গতিকে শুদ্ধ সময়ত লোৱা শুদ্ধ সিদ্ধান্ত আৰু ভুল সিদ্ধান্তৰ পিছত মানুহৰ জীৱনৰ এন্ধাৰ আৰু পোহৰৰ বাট নিৰুপন কৰে।

জীৱনৰ সাফল্য অৰ্জনৰ আন এক আৱশ্যকীয় উপাদান হৈছে ধৈৰ্য। সাফল্য অৰ্জন কৰিবলৈ সু সিদ্ধান্তৰ লগতে ধৈৰ্যৰো প্ৰয়োজনীয়তা আছে। বহু সময়ত দেখা যায় ধৈৰ্যৰ অভাৱৰ ফলত সু সিদ্ধান্ত লোৱাৰ পৰা আতৰি থকা হয়। দিঘলীয়া কষ্টতকৈ কম সময়ৰ ভিতৰত লাভ কৰা ফলৰ কথা চিন্তা কৰি অতি চমু বাট পোনাব বিচাৰাতো ধৈৰ্যৰে অভাৱ বুলি কব পাৰি। কিন্তু চমুবাটৰ সিদ্ধান্তই কোনোৱা সময়ত আশানুৰূপ ফল নিদিবও পৰে। অতি ক্ষিপ্ৰতাৰে ফলা- ফলৰ কথা আশা কৰাৰ বাবে অনাহুত সিদ্ধান্তত উপনীত

(বাৰপৃষ্ঠাত চাওক)



# মই কিয় বুদ্ধ হ'ব নোৱাৰিলোঁ



মীনাক্ষী গোস্বামী

মই কিয় বুদ্ধ হ'ব নোৱাৰিলোঁ?  
বোধি বৃক্ষৰ তলত বহি লোভ মোহ, আকাংক্ষাৰ  
শেষ জুইকুৰা মই নিশব্দে নুমুৱাব নোৱাৰো।  
যিদৰে কাৰোবাৰ হাঁহিৰ খলকনিয়ে মোৰ বুকুত  
বসন্তৰ কোমল বতাহ বোৱাই নিয়ে  
দুখবোৰো একেদৰে শিল হৈ গোট মাৰে।  
মোৰ ভিতৰৰ পৃথিৱীখন এমুঠি ধ্বংসস্তূপ হৈ পৰে,  
যেতিয়া দেখোঁ  
-মমতাময়ীৰ আশীৰ্বাদ বিলোৱা,  
সপোন সজোৱা হাত দুখনি  
যেতিয়া শিকলিৰে বান্ধি থোৱা হয়।  
মই জানো, সেই দুখ মই কেৱল অনুভৱহে কৰিব পাৰো।  
অটল সাহস, আৰু সত্যৰ বাবে সকলো  
হেৰুৱাব পৰা এক নিৰ্ভীক হৃদয় মোৰ নাই।  
দুৱাৰদলীত ৰৈ থাকি আজিও মই নিজৰ ভয়,  
মোহ দুৰ্বলতাৰ সৈতে নিৰৱ যুদ্ধ কৰি আছোঁ।  
ভোগ-বিলাস, লোভ-মোহ আশা-নিৰাশাৰ  
অন্তহীন ঘূৰ্ণিত প্ৰতিদিনে নিজকে হেৰুৱাই  
আকৌ নিজকেই বিচাৰি ফুৰা এজন ক্লান্ত পথিক মই।  
তথাপিও, আৰ্তজনৰ কৰুণ চকুহাল,  
এটা বুভুক্ষ শিশুৰ কান্দোন,  
এজন অসহায় বৃদ্ধৰ নীৰৱ নিশ্বাস  
-এইবোৰে মোৰ অন্তৰখন ভাঙি চুৰমাৰ কৰে।  
মই জানো মই কাৰোবাৰ  
দুখ মচিব নোৱাৰো, নোৱাৰো বিনাশিব তিমিৰ ৰাশি  
অথবা নোৱাৰো সলনি কৰিব পৃথিৱীখন প্ৰেমেৰে।  
মই হতাশা গ্ৰস্ত আহত পক্ষীও নহয়,  
বোধি বৃক্ষৰ তলত বহি বুদ্ধ হ'বলৈ ভিতৰৰ  
অন্ধকাৰ জয় কৰাৰ সাহস মোৰ নাই।  
আৰু সেয়ে মই আজিও এজন অপূৰ্ণ সাধক।  
নিজক জয় কৰাৰ বাবে অপেক্ষাৰত।

# শৈশৱৰ গৰমৰ বন্ধ আৰু আজিৰ গৰমৰ বন্ধ

কানুপ্ৰিয়া ডেকা,হাউলী, বৰপেটা



মানুহৰ জীৱনত শৈশৱ হৈছে বসন্তৰ দৰে এক সেউজীয়া ঋতু। সেই ঋতুৰ প্ৰতিটো দিনেই যেন আনন্দ, কৌতূহল আৰু সপোনেৰে ৰঙীন। এই শৈশৱৰ স্মৃতিবোৰৰ ভিতৰত গৰমৰ বন্ধৰ স্থান বিশেষ। বিদ্যালয়ৰ ঘণ্টাধ্বনি, পাঠ্যপুথিৰ চাপ আৰু পৰীক্ষাৰ উৎকণ্ঠাৰ পৰা মুক্তি দি গৰমৰ বন্ধই শিশুমনক দিছিল এক মুক্ত আকাশ, য'ত সিহঁতে নিজৰ মনৰ পাখী মেলি উৰিব পাৰিছিল। কিন্তু সময়ৰ সোঁতে সোঁতে গৰমৰ বন্ধৰ ৰূপ, ৰং আৰু অনুভৱ বহু পৰিমাণে সলনি হৈছে। শৈশৱৰ গৰমৰ বন্ধ আৰু আজিৰ গৰমৰ বন্ধৰ মাজত এই পৰিৱৰ্তনৰ কাহিনী যেন এখন সমাজৰ পৰিৱৰ্তনৰো প্ৰতিচ্ছবি।

আগৰ দিনৰ গৰমৰ বন্ধ মানেই আছিল আনন্দৰ এক অন্তহীন উৎসৱ। বিদ্যালয় বন্ধ হোৱাৰ খবৰ শুনিয়েই শিশুসকলৰ মন আনন্দত নাচি উঠিছিল। যেন খিৰিকীৰে সোমাই অহা এজাক বসন্তৰ বতাহে মনৰ সকলো কোণ উজলাই তুলিছিল। সেই সময়ত মোবাইল ফোন, ইণ্টাৰনেট বা ভিডিঅ' গেমৰ আকৰ্ষণ নাছিল। সেয়েহে শিশুসকলৰ খেলৰ মঞ্চ আছিল গাঁৱৰ পথাৰ, গছৰ তল, নদীৰ পাৰ বা ঘৰৰ চোতাল।

গছত উঠা, লুকাভাকু খেলা, কাবাডী, গুটি খেল, চোৰ-পুলিচ, কণীযুঁজ অথবা সন্ধিয়া বেলি দল বান্ধি খেল-ধেমালি কৰাটো আছিল সেই সময়ৰ গৰমৰ বন্ধৰ অবিচ্ছেদ্য অংশ। শিশুসকলৰ হাঁহিৰ শব্দই যেন গাঁওখনৰ আকাশখনো মুখৰ কৰি তুলিছিল। সূৰ্যৰ প্ৰখৰ ৰ'দকো তেতিয়া সিহঁতে উপেক্ষা কৰিব পাৰিছিল, কাৰণ আনন্দৰ আগত গৰমৰ তাপো যেন ম্লান হৈ পৰিছিল।

গৰমৰ বন্ধৰ আন এক মধুৰ দিশ আছিল ককা-আইতা বা মামা খুৰাৰ গাঁৱলৈ ফুৰিবলৈ যোৱা। গাঁৱৰ সেউজীয়া পথ, পুখুৰীৰ পানী, বাঁহবনৰ সুৰ, আম-কঁঠালৰ সুবাস আৰু নিশাৰ জোনাকী পৰুৱাৰ পোহৰ-এই সকলোবোৰে শিশুমনত এক অনন্য আনন্দৰ সৃষ্টি কৰিছিল। ককা-আইতাৰ মুখৰ পৰা শুনা সাধুকথা আৰু জীৱনৰ অভি:তাৰ কাহিনীবোৰ আছিল যেন অমূল্য সম্পদ। সেই কাহিনীবোৰে কেৱল মনোৰ? নেই কৰা নাছিল, জীৱনৰ বহু মূল্যবান শিক্ষাও প্ৰদান কৰিছিল।

কিন্তু আজিৰ গৰমৰ বন্ধৰ চিত্ৰ বহুলাংশে ভিন্ন। আধুনিক

(আঠপৃষ্ঠাত চাওক)

# শাওণ



**হৰেন কপ্তাক**

লেবেজান সময়ৰ ভৰপক দুপৰীয়া
ভোকে কলমলাই নাঙল সীৰলু ৰ'দত পুৰিছে
শেঁতা পৰা কঠীয়াবোৰ
ঠেং দাঙি থিয় হোৱাৰ কচৰৎ কৰিছে
সপোন যেন গান এটি
শব্দৰ জুনুকা বজাই
পিটপিটাই ঘূৰি ফুৰিছে
শাওণৰ ৰ'দ গলা বোকাত
তাম ৰঙী ৰোৱনীৰ আঙুলিৰ বুলনিত
ৰুণজুন ৰুণজুণ নুপূৰৰ সুৰ
মিহি মিহিকৈ বলি অহা বতাহজাকত
শ'লপুনা শুৱাগমণিৰ নাচোন
মিচিক মাচাককৈ কজলা হালে মাত লগালে
বেলি ঘূৰিল, ঐ বেলি ঘূৰিল
আঘোণৰ সপোন এটি সাৰটি
শাওণী বাইয়ে দেহ পুৰা গান এটি নিচুকাইছে
ঝিঁঝিঁকৈ ভাঁহি অহা ঝিলিৰ মাতত
সপোন যেন এজাক বৰষুণ
আবেলিৰ বুকুচাত উঠি শাওণ আহিল

# আজিৰ সমাজত নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বিতা কিয় অপৰিহাৰ্য?



**ড° দিলোৱাৰ হক,সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ,ৰয়েল গ্লোবেল বিশ্ববিদ্যালয়**

সমাজৰ উন্নয়ন কেৱল অৰ্থনৈতিক উন্নতিৰ ওপৰত নিৰ্ভৰ নকৰে; ই নিৰ্ভৰ কৰে সেই সমাজত নাৰী আৰু পুৰুষ উভয়ৰে সমান অংশগ্ৰহণ, সমান সুযোগ আৰু সমান মৰ্যাদাৰ ওপৰত। একবিংশ শতিকাৰ এই আধুনিক যুগত নাৰীৰ শিক্ষা, কৰ্মসংস্থান আৰু নেতৃত্বৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি ঘটিছে। তথাপিও বহু ক্ষেত্ৰত পুৰুষ প্ৰধান সমাজত নাৰীসকল এতিয়াও অৰ্থনৈতিকভাৱে আনৰ ওপৰত নিৰ্ভৰশীল হৈ আছে। এনে পৰিস্থিতিত নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বিতা কেৱল ব্যক্তিগত সফলতাৰ বিষয় নহয়, ই পৰিয়াল, সমাজ, ৰাজ্যৰ লগতে ৰাষ্ট্ৰৰ সামগ্ৰিক উন্নয়নৰ এক মৌলিক চৰ্ত।


অৰ্থনৈতিক স্বাৱলম্বিতা মানে কেৱল উপাৰ্জন কৰাকেই নুবুজায়; নিজৰ উপাৰ্জিত ধনৰ ওপৰত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা, নিজৰ জীৱন নিজৰ মতে গঢ়ি তোলাৰ স্বাধীনতা আৰু আত্মমৰ্যাদা বজাই ৰখাৰ সামৰ্থ্যও ইয়াৰ অন্তৰ্ভুক্ত। যিগৰাকী নাৰীয়ে আৰ্থিক কাৰ্য্যত নিয়োজিত হৈ নিজৰ সক্ষমতাৰে আয় উপাৰ্জন কৰিব পাৰে, তেওঁ আত্মবিশ্বাসী হয়, আৰু অৰ্থনৈতিক স্বাৱলম্বিতাৰ বলতেই নিজৰ আৰু পৰিয়ালৰ কল্যাণত অধিক অৰিহণা যোগাব পাৰে। প্ৰথমতে নাৰীৰ অৰ্থনৈতিক স্বাধীনতাই তেওঁলোকৰ আত্মসন্মান আৰু আত্মবিশ্বাস বৃদ্ধি কৰে। আৰ্থিকভাৱে স্বাৱলম্বী নাৰীয়ে নিজৰ শিক্ষা, স্বাস্থ্য, সন্তানৰ ভৱিষ্যৎ অথবা ব্যক্তিগত সিদ্ধান্তসমূহ অধিক স্বাধীনভাৱে ল'ব পাৰে। ইয়াৰ উপৰিও তেওঁলোকৰ মতামতক পৰিয়ালৰ বাকী সদস্যসকলে অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হয়।

দ্বিতীয়তে, অৰ্থনৈতিকভাৱে স্বাৱলম্বী নাৰীয়ে পৰিয়ালৰ আৰ্থিক স্থিতিশীলতা বৃদ্ধি কৰে। বৰ্তমান সময়ত দেশৰ উচ্চ হাৰৰ মুদ্ৰাস্ফীতিৰ উপস্থিতিত এটা মাত্ৰ উপাৰ্জনৰ ওপৰত, বিশেষকৈ চাকৰিৰ চৰকাৰী নিৰ্ধাৰিত হাৰৰ মাহিলি দৰমহাৰ টকাৰ উপাৰ্জনৰ ওপৰত

*(বাৰপৃষ্ঠাত চাওক)*

# উজাগৰি নিশাৰ স্বপ্ন

**ৰিমী হাজৰিকা, মাজুলী**



নিশাৰ নিস্তব্ধতাত উচুপি উঠা এগৰাকী নাৰীৰ কৰুণ কাহিনীয়ে হৃদয় কপাই তুলিছিল শ্যামলিকাৰ। এটোপ দুটোপ কৰি নিগৰি থকা চকুলোৰ আঁৰত তাই দেখা পাইছিল এগৰাকী নাৰীৰ জীৱন সংগ্ৰামৰ কৰুণ গাথা। সমাজত এগৰাকী নাৰীৰ অৱস্থিতি, তেওঁৰ ভূমিকা, অৱস্থান আদিক লৈ যি বৈষম্যৰ সৃষ্টি হয়, তাৰ কাৰণ কেৱল পিতৃ তান্ত্ৰিক সমাজ ব্যৱস্থা নে, নে ইয়াৰ আৰঁত জড়িত হৈ আছে গভীৰ সমাজ ৰাজনৈতিক কাৰণ।

শ্যামলিকাৰ আগত নিজৰ জীৱনৰ সমস্ত দুখ প্ৰকাশ কৰি যেন অলপ স্থিৰ হৈছে নম্ৰতা। বিবাহ পাশত আবদ্ধ হোৱাৰ দুবছৰৰ পাছত এটা অনাকাংক্ষিত খবৰে ধুমুহাৰ দৰে তচ-নচ কৰি থৈ গৈছিল নম্ৰতাৰ জীৱন। তেতিয়া নম্ৰতাৰ গৰ্ভত তিনিমহীয়া সন্তান। সন্ধিয়া সাত বজাত নম্ৰতাৰ ম'বাইলত জিলিকি উঠিছিল এটি অচিনাকী নম্বৰ। ফোনটো হাতত তুলি লোৱা লগে লগে সিফালৰ পৰা ভাহি আহিছিল এটি অচিনাকী কণ্ঠস্বৰ। "হেল্ল! নম্ৰতা গোস্বামী হয় নে? আপোনাৰ স্বামী অনুপম গোস্বামীৰ এক দুৰ্ঘটনাত মৃত্যু হৈছে।"

হঠাৎ অহা এইখবৰ টোৱে দুৰ্বিসহ কৰি গৈছিল তাইৰ জীৱন। গৰ্ভত থকা সন্তানৰ কথা ভাবিয়ে সাহসী হৈ আছিল তাই। কিন্তু কিমান দিন ধৈৰ্য আৰু সাহসেৰে থাকিব তাই। স্বামী কৃতকাৰ্য সম্পন্ন কৰাৰ পাছত তাই উভতি গৈছিল মাকৰ ঘৰলৈ । কিন্তু মাক দেউতাকৰ অবিহনে যে সেই খন ঘৰত তাই কোনো অস্তিত্ব নাই। একমাত্ৰ মৰমৰ ভায়েক এতিয়া প্ৰসিদ্ধ ব্যৱসায়িক। বিয়া বাৰু কৰাই তেওঁ সুখৰ সংসাৰ তৰিছে। তাৰ মাজত তেওঁৰ বিধৱা গৰ্ভৱতী বায়েকৰ দায়িত্ব ল'বলৈ অপাৰগ।

কথাখিনি কৈ কান্দি পেলালে তাই। শ্যামলিকাই সান্ত্বনা দিবলৈও যেন ভাষাহীন হৈ পৰিছিল। তাই মনতে ভাবিলে, কিমান নিষ্ঠুৰ হ'ব পাৰে মানুহ। আপোন বুলিবলৈ কোনো নথকা এই ছোৱালী জনীৰ ভায়েকেই একমাত্ৰ সাৰথি আছিল! কিন্তু সহোদৰ ভায়েকেই যদি বায়েকৰ এই অৱস্থাত এৰি দিব পাৰে, কেৱল মাত্ৰ নিজক লৈ ব্যস্ত হ'ব পাৰে, তেনে হ'লে এগৰাকী নাৰীৰ অস্তিত্ব ক'ত? শ্যামলিকাৰ ভাৱনাৰ মাজতেই নম্ৰতাই পুনৰ কৈ গ'ল তাই জীৱনৰ বিভীষিকাময় কৰুণ কাহিনী। মাকৰ ঘৰৰ পৰা উভতি তাই আৰু যাবলৈ কোনো ঠাই নাছিল। কলৈ যাব কি কৰিব বুলি ভাবি থাকোঁতেই তাই লগ পাইছিল কলেজীয়া জীৱনৰ এগৰাকী বান্ধৱী, শিখাক। যি তাই জীৱনত ছাঁৰ দৰে আছিল। তাই সকলো খিনি কথা জনাৰ পাছত লৈ গৈছিল তাইৰ নিজৰ ঘৰলৈ আৰু তাইৰ লগত ৰাখিছিল নম্ৰতাক। কিন্তু ইমানতে নম্ৰতাৰ কৰুণ কাহিনী অন্ত হোৱা নাছিল। তেনেদৰেই এদিন নম্ৰতাৰ জীৱনলৈ আহিছিল এক নৱজাতক কন্যা সন্তান। তাইৰ নাম ৰাখিছিল নমামী। নমামী জন্ম হোৱাৰ লগে লগে নম্ৰতাৰ জীৱনলৈ নামি আহিছিল আশাৰ কিৰণ।

এদিন দুদিনকৈ নমামী ডাঙৰ হৈ আহিছিল, আৰু দায়িত্ব বাঢ়ি আহিছিল নম্ৰতাৰ। তাই আৰু আনৰ ওপৰত নিৰ্ভৰ হৈ থাকিব বিচৰা নাছিল। তাই শিখাৰ সৈতে আলোচনা কৰি এখন চেল্‌ফ কেয়াৰ ষ্টুডিঅ' খোলাৰ প্ৰস্তুতি চলালে আৰু লাহে লাহে তাইৰ সেই সপোনে বাস্তৱ ৰূপ পালে। কিন্তু ইমানতে নম্ৰতাৰ জীৱনৰ ঘাট প্ৰতিঘাটৰ অন্ত হোৱা নাছিল। বাহিৰলৈ ওলাই গ'লে শুনিবলৈ পাইছিল তাইৰ মানুহৰ ইতিকিং সূচক মন্তব্য। গাঁৱৰ বয়োজেষ্ঠ্য সকলে বাৰী মানুহক দেখিলে যাত্ৰা ভংগ হয় বুলি মন্তব্য কৰিছিল। কিন্তু ইমানৰ পাছতো তাই হাৰ মনা নাছিল। তাইৰ চেল্‌ফ কেয়াৰ ষ্টুডিঅ'ৰ দিনে দিনে জনপ্ৰিয়তা অৰ্জন কৰিছিল আৰু গ্ৰাহকৰ ভিৰ লাগিছিল। নম্ৰতাই লগত নমামীক লৈ গৈছিল চেল্‌ফ কেয়াৰ ষ্টুডিঅ' লৈ। কোঠাৰ এচুকত তাই অকলেই খেলিছিল, মাজে মাজে ষ্টুডিঅ' লৈ শিখা ও গৈছিল। কিন্তু এদিন নম্ৰতাৰ এই ব্যস্ততাৰ মাজতেই এচাম বয়োজেষ্ঠ্য লোকে সকিয়নি দিছিল, , যে তাইৰ দৰে বিধৱা তথা বাৰী মানুহে অন্য মানুহৰ আগত ওলাব নালাগে, কাৰণ আন বহু মহিলাৰ ভৱিষ্যতৰ কথা আছে।

কিন্তু ইমানৰ পাছতো তাই পৰাজয় স্বীকাৰ কৰা নাছিল। দিনে দিনে নমামী ডাঙৰ হৈ অহাৰ লগে লগে তাইৰ যে দায়িত্ব দুগুণে বাঢ়ি গৈছিল। নমামী পঢ়া শুনা খৰচৰ পৰা খোৱা বোৱা যোগাৰ কৰা লৈকে তাই অভাৱৰ সন্মুখীন হৈছিল।

এনেদৰে অভাৱ অনাটনৰ মাজত তাইৰ নমামী ক উচ্চ শিক্ষিত কৰিলে আৰু আজি তাইৰ এগৰাকী উচ্চপদস্থ বিষয়া। এনে এখন সমাজত, য'ত নম্ৰতাই

*(বাৰপৃষ্ঠাত চাওক)*



# হত্যাৰ আৰৰ কাহিনী

**যোৰাখগুৰ পৰা... শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

ৰাজু- মণিক উদ্দেশ্যী! অই পোৱালি, এইজনী কোন বে, ? বৰ ধুনীয়া বে ।

মণি- মোৰ পত্নী তেওঁ। নাৰীক সন্মান কৰিব দাদা।

ৰাজু- জোৰকৈ হাঁহিৰে... চালা নাপিতেও ইমান অপেশ্বৰী কইনা পাই বে?

মণি — চিএৰি, , মই BA passনাপিত কাম কৰো। কৰ্মক লাজ নকৰো। তোৰ দৰে ভিক্ষা নুখুজো।

ৰাজু- চিএৰি.. কাক ভিক্ষাৰী কৈছে বে।

দুয়োৰে মাজত মাৰপিট হয়। ওচৰৰ দোকানী বোৰ আহি মণিক বুজাই কাজিয়া ভাঙি দিয়ে। মণি যিহেতু এজন শিক্ষিত ল'ৰা তেওঁ ওচৰে থানাত এখন এজাহাৰ দিলে। কিন্তু পুলিচে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। কাৰন ৰাজুৰ collection ৰ পৰা পুলিচেও এটা মতা অঙ্ক মাহেকত পাই। মণি হতাশাত ভোগে। মালাই মণিক বুজাই বঢ়াই শান্ত কৰে। ৰাজু মাহে চেলুন লৈ আহে। গালি ভৎসৰ্না কৰি টকা লৈ যায়, দাড়ি চুলি কাটি যায়। যিজন মানুহ মানসীক বিকাৰগ্ৰস্ত, যাৰ মা বাবাৰ পৰিচয় নাই তেনে এজন মানুহক স্পৰ্শ কৰি ডাৰি চুলি কটাতো মণিৰ বাবে অসহনীয়।।

মণিয়ে উপলব্ধি কৰিছে দেউতাকে কেনেকৈ এইবোৰ সহি গৈছিল। কিয় তেওঁৰ গাওঁ খন বেছি আপোন আছিল। শিক্ষা দিক্ষা নহোৱা এজন গুণ্ডাই পুলিচ প্ৰশাসন নিয়ন্ত্ৰণ কৰে। যিহেতু ৰাজুই মালাক বেয়া নজৰ দিয়ে সেয়েহে মণিয়ে মালাক চেলুনত অহা মানা কৰিছে। আজি ৰাজু মণিৰ চেলুনত আহিছে। আনফালে মণিৰ ল'ৰাটোৰ ভিষন জ্বৰ।

জ্বৰ বেছি হোৱাত মালাই উপায়হীন হৈ মণিক মাতিবলৈ চেলুন আহিল। ৰাজুই মালাক দেখি পগলা হৈ গ'ল। সি অকস্মাৎ মালাক সাবোতি ধৰি তেওঁৰ উঠন বুকুত মুখ গুজি মুখে গালে চুমা খাব ধৰিলে। মণি উত্তেজিত হৈ চেলুনৰ চকী দাঙি তাৰ মুৰত মাৰি দিলে। তাৰ মুৰ ফাটি তেজ বৈ গল। তথাপি সি একো উত্তৰ নিদি বিজয় উল্লাসৰ হাঁহি মাৰি আতৰি গ'ল। যিহেতু ল'ৰাটোৰ খুব জ্বৰ দুয়ো হস্পিতাললৈ ল'ৰাটো লৈ গ'ল সিদিনা ৰাতি দুয়োৰে টোপনি নাহিল। মালাই গোটেই ৰাতি কান্দীলে। মণি মৌন হৈ ৰল। মণি পিছদিনা আকৌ থানালৈ গ'ল যদিও কামত নাহিল।।

আজি আকৌ ৩০তাৰিখ। ৰাজু আহিব। মণি সিদিনা প্ৰস্তুত। সিদিনা সি কাৰো চুলি ডাৰি কটা নাই। গা বেয়া বুলি চেলুনৰ জপনা আধা মেলি থৈছে। চেলুনত কোনো নাই।আকাশতো কৰা মেঘে ছানি ধৰিছে।। হঠাৎ ৰাজু আহিল।

ৰাজু- অই পোৱালি চেলুন আধা খুলা যে?

মণি- বহক দাদা আজি গা বেয়া।

ৰাজু- দাদা কৈছে, , সন্মান দিছ ভাল কৰিছ। তোৰ বাপেৰে সোনকালে বুজি পাইছিল। তই অলপ দেৰিকে বুজিলি। ঠিক আছে হ'ব বাদ দে

মণি- মালাৰ চকুলো ভাহি আহি...বহক বহক দাদা সোনকালে বহক, আপোনাৰ ডাৰি কাটি মই ঘৰত যাম মোৰ গা বেয়া।

ৰাজু- গা বেয়া নে ঘৈণীয়েৰৰ মনত পৰিছে।

মণি- বাদ দিয়ক হে দাদা আগে ডাৰি কাটি লও।

ৰাজু- উম ভালকে কাট।

মণি ৰাজুৰ গালত চাবোন লেপি খুড় খন ধাৰাই আছে

ৰাজু- অই পোৱালি খুড় খন আগতেই ধাৰাই থব নোৱাৰা নেকি?

মণি -ৰৰ দাদা হৈ গ'ল। নিৰবে সি ডাৰি কাটি গ'ল।

মালাৰ চকুলো, নিৰ্যাতন ভাহি আহিছে তাৰ মনত। অসুৰৰ বলি দিব লাগিব যেন অনুভৱ।।

ৰাজু- ই পোৱালি !ডাৰি কাট ঘৈণীয়েৰৰ কথা ভাবি আছা নেকি?

হঠাৎ উত্তেজিত হৈ মণিয়ে খুড়েৰে ৰাজুৰ ডিঙি ৰেপি দিলে। ৰাজু মুহূৰ্ততে চটফটাই নিশ্বাস ত্যাগ কৰে।। মণিয়ে নিৰুপায় হৈ হত্যা কৰিলে অসুৰ ৰূপি ৰাজু গুণ্ডাক।।

মণি আৰু মালা আজিও আছে নয়নপুৰত। তেওঁ লোকৰ সন্তান নয়ন আজি এজন নিষ্ঠাবান পুলিচ বিষয়া।

# হিয়াৰ আমঠু জুবিন দা লৈ শ্ৰদ্ধা জনায়



**কল্পনা দত্ত, লুইত নগৰ, নুনমাটি গুৱাহাটী**

গান গাবল�ৈ তোমাক লাগে
তুমি বিহীন ছমাহ
তুমি বিহীন এবছৰ
তুমি বিহীন দুবছৰ
তুমি বিহীন
হৈ গৈ থাকিব...
গৈ গৈ এদিন
ইতিহাসৰ পাতত
সৰাপাত সৰিব
কুঁহিপাতে হাঁহিব
কুঁহিপাতে নাচিব
ব'হাগ আহিব
কিন্তু -তুমি
তুমি ক'ত?
ৰাজনীতিৰ
দালালবোৰে
নিৰ্বাচন খেলিব
পলিটিক্স কৰিব
কোনো জনে
হাতৰ তলুৱাত
পদুম লৈ
অট্টহাস্য কৰিব
পৰিবৰ্তনৰ নাম লৈ
অসমীয়া জাতিৰ
লগত খেলিব
কিন্তু...
পলিটিক্স
নকৰিবলৈ ক'বলৈ,
তুমি আছাগৈ ক'ত?
তুমি বিহীন
ব'হাগ বিহু
তুমি বিহীন
নাহৰ -
তুমি বিহীন
মায়াবিনী ৰাতি
তুমি বিহীন
অসমীয়া জাতি
সেয়েহে অনুৰোধ তোমালে
"উঠা জাগা
সাৰ পোৱা"
মায়াবিনী ৰাতিৰ বুকুত
"ধুমুহাৰ সতে
নাচিবলৈ তোমাক লাগে"
তোমাৰ হৃদয় চুই যোৱা
সেই কণ্ঠ, সেই আবেগ লাগে
"দিয়া ঘূৰাই দিয়া"
সপোন ৰঙৰ ছবি আঁকিবলৈ
তোমাক লাগে -
"তুমি চুলে চোন বসন্ত
তোমাৰ মাজতে দিগন্ত"
আমিও তোমালৈ বৈ থাকিম
"বাটৰে শেষতে বাটচাম
তোমালে"
তোমাক কৰযোৰে প্ৰাৰ্থনা
আহিবা তুমি -
"আকৌ এবাৰলৈ আহানা
উভতি
গান গাবলৈ তোমাক লাগে"

# শৈশৱৰ গৰমৰ বন্ধ আৰু আজিৰ

বিজ্ঞান আৰু প্ৰযুক্তিয়ে মানুহৰ জীৱন সহজ কৰি তুলিছে যদিও শিশুমনৰ জগতখনত ইয়াৰ প্ৰভাৱ গভীৰ। আজিৰ বহু শিশুৰ গৰমৰ বন্ধ কটিছে মোবাইল ফোন, টেলিভিছন, ভিডিঅ' গেম আৰু সামাজিক মাধ্যমৰ মাজত। পথাৰ আৰু চোতালৰ ঠাই দখল কৰিছে মোবাইলৰ সৰু পৰ্দাই। বন্ধু-বান্ধৱীৰ সৈতে সন্মুখীন হৈ খেলাৰ সলনি এতিয়া বহুতে অনলাইন গেমৰ জগতত ব্যস্ত হৈ থাকে।

আজিৰ অভিভাৱকসকলেও সন্তানৰ ভৱিষ্যৎক লৈ অধিক সচেতন। ফলস্বৰূপে গৰমৰ বন্ধত শিশুসকলৰ বাবে বিভিন্ন কোচিং ক্লাছ, নৃত্য শিক্ষা, সংগীত শিক্ষা, কম্পিউটাৰ প্ৰশিক্ষণ বা আন আন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হয়। নিঃসন্দেহে এইবোৰ শিশুৰ দক্ষতা বৃদ্ধিত সহায়ক, কিন্তু একে সময়তে ই গৰমৰ বন্ধৰ স্বতঃস্ফূৰ্ত আনন্দৰ কিছু অংশ কেঢ়ি নিয়া যেন লাগে। যি বন্ধ এক সময়ত আছিল মুক্ত আকাশৰ দৰে বিস্তৃত, সেয়া এতিয়া কেতিয়াবা সময়সূচীৰ গণ্ডীৰ ভিতৰত সীমাবদ্ধ হৈ পৰে।

চহৰীয়া জীৱনশৈলীয়েও এই পৰিৱৰ্তনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। আগৰ দৰে খোলা পথাৰ, খেলপথাৰ বা নিৰাপদ খেলৰ স্থান এতিয়া সকলো ঠাইতে সহজলভ্য নহয়। বহুত শিশুৱে বহুতল অট্টালিকাৰ মাজত ডাঙৰ হয়, য'ত প্ৰকৃতিৰ সান্নিধ্য সীমিত। ফলত গৰমৰ বন্ধৰ বহু স্মৃতি এতিয়া ডিজিটেল ফাইল আৰু ফটোৰ মাজতে সীমাবদ্ধ হৈ থাকে।

অৱশ্যে আজিৰ গৰমৰ বন্ধ সম্পূৰ্ণৰূপে নেতিবাচক বুলিও ক'ব নোৱাৰি। আধুনিক যুগৰ শিশুসকলে অনলাইন পাঠ্যক্ৰম, শিক্ষামূলক ভিডিঅ', নতুন ভাষা শিক্ষা, বিজ্ঞানৰ পৰীক্ষা-নিৰীক্ষা, চিত্ৰাংকন বা সৃষ্টিশীল কামৰ জৰিয়তে বহু নতুন দক্ষতা আহৰণ কৰাৰ সুযোগ লাভ কৰিছে। পৃথিৱীৰ যিকোনো প্ৰান্তৰ জ্ঞান এতিয়া তেওঁলোকৰ আঙুলিৰ মূৰত উপলব্ধ। সেয়েহে আজিৰ গৰমৰ বন্ধেও নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে।

প্ৰকৃততে শৈশৱৰ গৰমৰ বন্ধ আৰু আজিৰ গৰমৰ বন্ধৰ মাজত পাৰ্থক্য থাকিলেও দুয়োটাৰে নিজস্ব সৌন্দৰ্য আছে। আগৰ দিনৰ বন্ধত আছিল প্ৰকৃতিৰ সান্নিধ্য, মানৱীয় সম্পৰ্কৰ উষ্ণতা আৰু সহজ-সৰল আনন্দ; আনহাতে আজিৰ বন্ধত আছে জ্ঞান, প্ৰযুক্তি আৰু বিশ্বব্যাপী সুযোগৰ দুৱাৰ। প্ৰয়োজন মাথোঁ এই দুয়োটাৰ মাজত এক সুন্দৰ সামঞ্জস্য স্থাপন কৰা।

যদি আজিৰ শিশুসকলে মোবাইল আৰু ইণ্টাৰনেটৰ লগতে প্ৰকৃতি, খেল-ধেমালি, কিতাপ পঢ়া আৰু পৰিয়ালৰ সৈতে সময় কটোৱাৰ সুযোগ লাভ কৰে, তেন্তে গৰমৰ বন্ধ সঁচাকৈয়ে জীৱনৰ এক পূৰ্ণাঙ্গ শিক্ষালয় হৈ উঠিব। কাৰণ শিক্ষা কেৱল পাঠ্যপুথিৰ পৃষ্ঠাত সীমাবদ্ধ নহয়; জীৱনৰ প্ৰতিটো অভিজ্ঞতাই মানুহক নতুন কিবা শিকায়।

আগলৈ...

# ইণ্টাৰনেট নাথাকিলেও

আদিত দ্ৰুত ইণ্টাৰনেট সেৱা নোহোৱাৰ বাবেই অ'ভিএছই প্ৰয়োগ হোৱা নাছিল। কিন্তু এতিয়া আৰক্ষী টহলদাৰী দলে এজন চালক বা ব্যক্তিৰ আধাৰকাৰ্ড, পৰিচয়-পত্ৰত থকা কিউআৰ কোড স্কেন কৰি প্ৰমাণ-পত্ৰ তৎক্ষণাৎ পৰীক্ষা কৰিব পাৰিব। এই পৰীক্ষাৰ বাবে ইণ্টাৰনেটৰ স্পীডৰ ওপৰত নিৰ্ভৰ কৰাৰ প্ৰয়োজন নাই। লগতে তেওঁ উল্লেখ কৰে আধাৰ, কিউআৰ কোড জাল কৰিব নোৱাৰা ডিজিটেল ছীল থাকে। এজন অপৰাধী বা অবৈধ অনুপ্ৰৱেশকাৰীয়ে ভুৱা বা ফটোকপী কৰা আধাৰকাৰ্ড ব্যৱহাৰ কৰি আৰক্ষীক এতিয়াৰে পৰা বিপথে পৰিচালিত কৰাটো কঠিন হৈ পৰিব। লগতে দৈনন্দিন আৰক্ষীৰ সেৱাবোৰ যেনে ভাৰাতীয়াৰ পৰীক্ষণ, চৰিত্ৰ পৰীক্ষণ, পাছপ'ৰ্ট আৰু অস্ত্ৰ অনুজ্ঞাপত্ৰ পৰীক্ষণ দ্ৰুত আৰু সহজ কৰি তুলিব। মুখ্যমন্ত্ৰীয়ে কয়- এই ব্যৱস্থাৰ দ্বাৰা অসম আৰক্ষীয়ে পানী নসৰকা নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা আৰু অপৰাধী নিয়ন্ত্ৰণত এখোজ আগুৱাই গ'ল।

# যোৰাবাটৰ বান সমস্যা

হোৱা প্ৰতিজাক বৰষুণতে যোৰাবাট অঞ্চলটো ভয়াৱহ কৃত্ৰিম বানৰ কৱলত পৰাৰ লগতে যাতায়ত ব্যৱস্থা স্তব্ধ হৈ পৰিছিল। ঘণ্টাৰ পাছত ঘণ্টা পথত আবদ্ধ হৈ থাকিবলগীয়া হৈছিল যাত্ৰী। গুৱাহাটীৰ পৰা যোৱা আৰু গুৱাহাটীত প্ৰৱেশ কৰা যানবাহনসমূহ যোৰবাটত হোৱা পানীৰ বাবে দীৰ্ঘ সময়ৰ অহা-যোৱা কৰিব পৰা নাছিল। ইফালে, সদনত গুৱাহাটীক পাৰ্পল চিটী ৰূপে সজাই তোলাৰ ক্ষেত্ৰত দিছপুৰৰ বিধায়ক প্ৰদ্যুৎ বৰদলৈয়ে এজাৰ গছ ৰোপণৰ কথা উল্লেখ কৰিছিল। এই প্ৰসংগতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- 'গুৱাহাটীক পাৰ্পল চিটী হিচাপে সজাই তোলাৰ ক্ষেত্ৰত লোকনিৰ্মাণ বিভাগক এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। গুৱাহাটীৰ নান্দনিক সৌন্দৰ্যৰ লগত বিসংগতি নাথাকে, তেনেকুৱা বহুমহলীয়া অট্টালিকাসমূহ যিমান সম্ভৱ কপৌফুলৰ ৰঙেৰে সজাই তুলিব লাগে।' মুখ্যমন্ত্ৰীয়ে পুনৰ কয়- 'বন বিভাগে এটা প্ৰচেষ্টা লৈছে, গুৱাহাটীৰ গোটেই ৰিং ৰোডত এজাৰ গছ ৰোপণ কৰা হ'ব। তদুপৰি, খানাপাৰাৰ পৰা জালুকবাৰীলৈকে ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে এজাৰ গছ ৰোপণৰো সিদ্ধান্ত লোৱা হৈছে।'

# জেকে আৰ্কিটেক্ট অৱ দ্য

উৎকৰ্যতা আৰু শিল্প-সৌন্দৰ্যৰ নিদৰ্শনস্বৰূপ ৰংঘৰ, তলাতল ঘৰ, নামদাঙৰ শিলৰ সাঁকো, শিৱসাগৰৰ মন্দিৰসমূহ আৰু ঐতিহ্যমণ্ডিত কামাখ্যা মন্দিৰৰ দৰে অনন্য কীৰ্তিচিহ্নসমূহৰ কথা উল্লেখ কৰে। তেওঁ লগতে কয় যে চৰাইদেউ মৈদামে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাৰ ফলত অসমৰ অনন্য সমাধি- স্থাপত্য আৰু টাই-আহোম জনগোষ্ঠীৰ সমৃদ্ধ সভ্যতাগত ঐতিহ্যই বিশ্বজুৰি বিশেষ স্বীকৃতি লাভ কৰিছে। একবিংশ শতিকাত স্থাপত্যৰ পৰিৱৰ্তিত ভূমিকা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দ্ৰুত নগৰায়ণ, জলবায়ু পৰিৱৰ্তন, প্ৰযুক্তিগত পৰিৱৰ্তন আৰু দ্ৰংতগতিত প্ৰাকৃতিক সম্পদ হাস পোৱাৰ দৰে গোলকীয় প্ৰত্যাহ্বানসমূহৰ সৈতে খাপ খুৱাই স্থপতিবিদসকলে সম্প্ৰতি কাম কৰিব লাগিব। তেওঁ কয় যে শক্তিৰ উপযুক্ত ব্যৱহাৰ, জল সংৰক্ষণ, জলবায়ু-সংবেদনশীল নক্সা আৰু অধিক স্বাস্থ্যসন্মত বাসযোগ্য পৰিৱেশ সৃষ্টিত স্থপতিবিদসকলে অগ্ৰাধিকাৰ দিব লাগিব। কৃত্ৰিম বুদ্ধিমত্তা আৰু উন্নত সামগ্ৰীৰ দৰে উদীয়মান প্ৰযুক্তিৰ সুচিন্তিত ব্যৱহাৰো স্থপতিবিদসকলে নিশ্চিত কৰিব লাগিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমত বৰ্তমান এনে এক নতুন স্থাপত্য গঢ়ি তোলাৰ দিশত সচেতনভাবে পদক্ষেপ লোৱা হৈছে য'ত আন্তঃগাঁথনিৰ কাৰ্যকাৰিতা, নান্দনিক দিশ, প্ৰযুক্তিগত উদ্ভাৱন, পৰিৱেশগত বহনক্ষমতা আৰু সাংস্কৃতিক ঐতিহ্যৰ সুসমন্বয় ঘটে। তেওঁ শেহতীয়াকৈ Prix Versaillers-এ বিশ্বৰ আটাইতকৈ সুন্দৰ বিমানবন্দৰসমূহৰ অন্যতম হিচাপে স্বীকৃতি দিয়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন টাৰ্মিনেলক এই দৃষ্টিভংগীৰ এক উজ্জ্বল নিদৰ্শন বুলি উল্লেখ কৰে। তেওঁ লগতে অসম বিধানসভাৰ নতুন ভৱন, শেহতীয়াকৈ উদ্বোধন কৰা গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু আৰু নতুনকৈনিৰ্মাণ কৰি থকা একাধিক চিকিৎসা মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু সন্মিলন কেন্দ্ৰক অসমত চলি থকা ৰূপান্তৰৰ প্ৰতীক বুলি অভিহিত কৰে। মানৱকেন্দ্ৰিক, অন্তৰ্ভুক্তিমূলক, সহনশীল আৰু বহনক্ষম নগৰ গঢ়ি তোলাৰ ক্ষেত্ৰত স্থপতিবিদসকলক নেতৃত্ব গ্ৰহণ কৰিবলৈ ড° শৰ্মাই ভাষণত আহ্বান জনায়। তেওঁ কয় যে জে কে আৰ্কিটেক্ট অৱ দ্য ইয়েৰ এৱাৰ্ডছৰ দৰে মঞ্চই আগন্তুক দিনতো গঠনমূলক আলোচনাৰ মাধ্যমেৰে উদ্ভাৱনক উৎসাহিত কৰিব আৰু বিশ্বজুৰি নতুন প্ৰজন্মৰ স্থপতিবিদসকলক অনুপ্ৰাণিত কৰি যাব।

# মুখ্যমন্ত্ৰীৰ ভাষণত বাৰে বাৰে বাধা

সময়ত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈক দিনটোৰ বাবে সদনৰ পৰা বহিষ্কাৰ কৰে অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে। মুখ্যমন্ত্ৰীৰ ভাষণৰ সময়ত কেইবাবাৰো হস্তক্ষেপ কৰিছিল অখিল গগৈয়ে। মুখ্যমন্ত্ৰীয়ে অৰুণোদয়, নিযুত মইনা আদি আঁচনিৰ জৰিয়তে কিমান মহিলা আৰু ছাত্ৰী উপকৃত হৈছে সেই সম্পৰ্কে উল্লেখ কৰাৰ সময়তেই অখিল গগৈয়ে হস্তক্ষেপ কৰে আৰু মাল্টি ডাইমেনচনেল প্ৰোভাৰ্টী ইনডেস্কত অসম শেষৰ পৰা ৬ নম্বৰত থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীক আক্ৰমণৰ লক্ষ্য কৰি লয় অখিল গগৈয়ে। মুখ্যমন্ত্ৰীয়ে ভাষণ আৰম্ভ কৰাৰ কিছু সময় পিছত অখিল গগৈয়ে অধ্যক্ষক উদ্দেশ্যি সোধে 'ছাৰ মাজত মাতিব পাৰিনে নোৱাৰি?' অধ্যক্ষই তেওঁক নোৱাৰি বুলি কয়। কিন্তু তাৰ পাছতো অখিল গগৈয়ে কেইবাবাৰো ভাষণৰ মাজত মাত দি মুখ্যমন্ত্ৰীৰ ভাষণত হস্তক্ষেপ কৰা দেখা যায়। ইয়াৰ মাজতে মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে যে অসমত কৰিব লগা বহুতো কাম আছে। সেইবোৰ কামৰ কথা কৈ থাকিলে তিনিদিনৰো অধিক সময় লাগিব। কিন্তু এজন গৌৰবী অসমীয়া হিচাপে কি কাম কৰিছে সেই কথাহে ভাষণত উল্লেখ কৰিব বুলি কয় মুখ্যমন্ত্ৰীয়ে। তেতিয়াই মাত লগাই অখিল গগৈয়ে কি কি কাম হোৱা নাই অন্ততঃ দহ শতাংশ ক'বলৈ কয়। সেইবাৰ অধ্যক্ষই তেওঁক সকীয়নি দিবলৈ ধৰাৰ সময়তে মুখ্যমন্ত্ৰীয়ে কয়- 'অধ্যক্ষ মহোদয় তেওঁ সেই লক্ষ্য লৈয়েই আহিছে। তেওঁ কালি ফেচবুকত কৈছে এনেকৈ হাল্লা কৰিব বুলি। গতিকে, অলপ আমোদৰ খোৰাক দি থাকিব, নহ'লে ডাল হৈ যাব। কিন্তু নিৰ্দিষ্ট সীমা অতিক্ৰম কৰিলে আপুনি চাব।' মুখ্যমন্ত্ৰীয়ে বাজেট সন্দৰ্ভত মন্তব্য কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অসমে ধন্যবাদ দিব লাগে বুলি কয়। মোদী অবিহনে ব্ৰহ্মপুত্ৰৰ তলেৰে সুৰংগ, কাজিৰঙা এলিভেটেড কৰিড'ৰ আদি নহ'লহেঁতেন। বৰ্তমান সময়ত অসমত দাৰিদ্ৰতাৰ স্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰাৰ সময়ত অখিল গগৈয়ে বাবে বাবে দাবী কৰে যে দুখীয়া ৰাজ্যৰ তালিকাত অসম তালিকাত ছয় নম্বৰত আছে। মুখ্যমন্ত্ৰীয়ে কয় যে আলফা, বান আদি সমস্যাৰ সৈতে যুঁজ দি ছয় নম্বৰ হোৱাটো ডাঙৰ কথা। কংগ্ৰেছৰ দিনতকৈ অসমৰ অবস্থা উন্নত হৈছে। অসমে মহাৰাষ্ট্ৰ, পশ্চিমবংগৰ লগত প্ৰতিযোগিতা কৰিব নোৱাৰে বুলি কয় মুখ্যমন্ত্ৰীয়ে। তেওঁ কয় যে অসমৰ প্ৰতিযোগিতা নিজৰ লগত। কিন্তু অখিল গগৈয়ে বাৰে বাৰে মুখ্যমন্ত্ৰীৰ ভাষণত হস্তক্ষেপ কৰাৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই তেওঁক দিনটোৰ বাবে বহিষ্কাৰ কৰে। ইয়াৰ পূৰ্বে কৃষি আৰু জলসিঞ্চনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অখিল গগৈক কটাক্ষ কৰা দেখা যায়। তেওঁ কয় যে মন্ত্ৰীৰ দপ্তৰ বিতৰণৰ সময়ত পীযূষ হাজৰিকাক সোধা হৈছিল যে কৃষি আৰু জলসিঞ্চন পৃথকে চলাব নে একেলগ কৰিলে ভাল হয়, তেতিয়া হাজৰিকাই একলগ কৰিবলৈ সন্মতি জনায়। কিন্তু অখিল গগৈয়ে পূৰ্বে পীযূষ হাজৰিকাৰ পাখি কটা হ'ল বুলি কৰা কটাক্ষৰ প্ৰত্যুত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয় যে এজন বিধায়কে কৃষি আৰু জলসিঞ্চনৰ দৰে দপ্তৰক পাখি কটা বুলি কোৱাটো দুৰ্ভাগ্যজনক। উল্লেখ্য যে আজি বিধায়ক অখিল গগৈয়ে সদনৰ শূন্যকালীন ঘণ্টাত গুৱাহাটীৰ কৃত্ৰিম বানক লৈ এটা সভাস্থগিত প্ৰস্তাব আনিছিল। কিন্তু অধক্ষ্যই বিধায়ক গৰাকীৰ এই প্ৰস্তাব নাকচ কৰে।

# অসম চুক্তি ৰূপায়ণত সম্পূৰ্ণ

গৃহ মন্ত্ৰণালয়ৰ অধীনস্থ জনগণনা অভিযান সঞ্চালকালয়, অসমৰ পৰা পোৱা তথ্য অনুসৰি নাগৰিকত্ব (সংশোধনী) আইন, ২০১৯১ অধীনত ২০১৪ চনৰ ৩১ ডিচেম্বৰ বা তাৰ আগতে আফগানিস্তান, বাংলাদেশ আৰু পাকিস্থানৰ পৰা ভাৰতত প্ৰব্ৰজন হোৱা হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্টী আৰু খ্ৰীষ্টান ধৰ্মাৱলম্বীৰ লোকসকলক ভাৰতত নাগৰিকত্ব প্ৰদান কৰাৰ ব্যৱস্থা আছে। একেদৰে অসম চুক্তিৰ ৬নং দফা ৰূপায়ণ কৰিবলৈ ইতিমধ্যে চৰকাৰে বিভিন্ন ব্যবস্থা হাতত লৈছে। ২০২৪ চনৰ ৪ ছেপ্টেম্বৰত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত কেবিনেট বৈঠকত অসম চৰকাৰে অসম চুক্তিৰ ৬নং দফা ৰূপায়ণৰ বাবে ভাৰত চৰকাৰৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে গঠন কৰি দিয়া অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা উচ্চস্তৰীয় সমিতিৰ দাখিল কৰা প্ৰতিবেদনখন পৰীক্ষা কৰে। কেবিনেটে লগতে এটা মন্ত্ৰী গোট গঠন কৰাৰ সিদ্ধান্ত লয়। যিয়ে সদৌ অসম ছাত্ৰ সন্থা (আছু) আৰু অন্যান্য সংগঠনসমূহৰ সৈতে আলোচনা কৰি কেবিনেটে গ্ৰহণ কৰা সকলো পৰামৰ্শ ৰূপায়ণ কৰাৰ লক্ষ্যৰে এক স্পষ্ট ৰূপৰেখা আৰু ৰূপায়ণৰ গাঁথনি প্ৰস্তুত কৰিব। ইয়াৰ পিছত, ২০২৪ চনৰ ২৫ ছেপ্টেম্বৰত লোক সেৱা ভৱনত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত মন্ত্ৰী গোট, অসমৰ মুখ্য সচিব, অংশীদাৰ বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল আৰু আছুৰ সদস্যসকলৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত সিদ্ধান্ত লোৱা হয় যে প্ৰথম পৰ্যায়ত কেৱল ৰাজ্য চৰকাৰৰ একাধিপত্যৰ অধীনত থকা ৫২টা পৰামৰ্শৰ লগতে যিবোৰ পৰামৰ্শৰ এটা অংশ অসম চৰকাৰে স্বতন্ত্ৰভাৱে ৰূপায়ণ কৰিব পাৰে, সেইবোৰ ২০২৫ চনৰ এপ্ৰিল মাহৰ ভিতৰত সময়ভিত্তিক কাৰ্যসূচীৰ জৰিয়তে ৰূপায়ণৰ বাবে পদক্ষেপ লোৱা হ'ব। এই সন্দৰ্ভত, ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত আছুৰ সৈতে হ'বলগীয়া পৰৱৰ্তী বৈঠকত দাখিল কৰাৰ বাবে সংশ্লিষ্ট বিভাগসমূহে দাখিল কৰা কাৰ্যপন্থাৰ ভিত্তিত এটা খচৰা কাৰ্যপন্থা প্ৰস্তুত কৰা হৈছে। ২০২৫ চনৰ ১৬ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত দ্বিতীয় পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়, য'ত মন্ত্ৰী গোট, মুখ্য সচিব, অংশীদাৰ বিভাগৰ জ্যেষ্ঠ বিষয়াসকল আৰু আছুৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। এই বৈঠকত সিদ্ধান্ত লোৱা হয় যে প্ৰথম পৰ্যায়ত, ন্যায়াধীশ বি কে শৰ্মা সমিতিৰ ৫২টা পৰামৰ্শৰ ভিতৰত ৩৯টা পৰামৰ্শৰ- যিবোৰ সম্পূৰ্ণৰূপে বা আংশিকভাৱে ৰাজ্য চৰকাৰৰ অধিকাৰ ক্ষেত্ৰৰ ভিতৰত পৰে, সেইবোৰ ৰূপায়ণৰ বাবে অগ্ৰাধিকাৰ দিয়া হ'ব। এই সন্দৰ্ভত অসম বাজেট ২০২৫-২৬ত প্ৰয়োজনীয় বাজেট ঘোষণাও কৰা হৈছে। তদুপৰি, অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা উচচন্তৰীয় সমিতিৰ বাকী ১৷টা পৰামৰ্শৰ আলোচনাৰ বাবে ২০২৫ চনৰ ২২ নৱেম্বৰত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত তৃতীয় পৰ্যায়ৰ বৈঠকখনো অনুষ্ঠিত হয়, য'ত মন্ত্ৰী গোট, মুখ্য সচিব, সংশ্লিষ্ট বিভাগৰ জ্যেষ্ঠ বিষয়া আৰু আছুৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে আৰু সংশ্লিষ্ট বিভাগসমূহক এই ১৩টা পৰামৰ্শ ৰূপায়ণৰ বাবে প্ৰয়োজনীয় ব্যবস্থা গ্ৰহণৰ বাবে নিৰ্দেশ দিয়া হয়। এইদৰে বৰ্তমানৰ ৰাজ্যৰ বিজেপি মিত্ৰজোঁটৰ চৰকাৰখন অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে আৰু সম্পূৰ্ণভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে দায়বদ্ধ বুলি স্পষ্ট কৰি দিয়ে মন্ত্ৰী অতুল বৰাই।

# ইছৰ’ৰ শতাধিক বিজ্ঞানীৰ

ছেটেলাইট চেণ্টাৰ আৰু বিক্ৰম ছাৰাভাই স্পেচ চেণ্টাৰলৈ। যিহেতু ইছৰোৰ এই দুয়োটা চেণ্টাৰৰ পৰাই আটাইতকৈ বেছি বিজ্ঞানীয়ে কামৰ পৰা অব্যাহতি লৈছে। কেন্দ্ৰৰ নিৰ্দেশনাত কোৱা হৈছে যে ‘গগণযান’ আৰু অন্যান্য ‘গুৰুত্বপূৰ্ণ মিছন’ৰ সৈতে যুক্ত ‘গ্ৰুপ এ’ পৰ্যায়ৰ বিজ্ঞানী আৰু কাৰিকৰী কৰ্মীসকলে একেলগে পদত্যাগ কৰিব নোৱাৰিব। ইমানদিনে ইছৰোৰ বিভিন্ন চেণ্টাৰৰ সঞ্চালকসকলেই বিজ্ঞানীসকলৰ পদত্যাগ-পত্ৰ গ্ৰহণ কৰিব পাৰিছিল। কিন্তু নতুন নিৰ্দেশনা মতে তেওঁলোকৰ ক্ষমতা কাঢ়ি নিয়া হৈছে। এতিয়াৰে পৰা এই বিষয়ে সিদ্ধান্ত ল’ব কেৱল কেন্দ্ৰীয় মহাকাশ বিভাগে। নিৰ্দেশনাত আৰু কোৱা হৈছে যে গুৰুত্বপূৰ্ণ মিছনৰ মাজতে জধে-মধে স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰাৰ ফলত ক্ষতিগ্ৰস্ত হৈছে ‘গগণযান’ আৰু অন্যান্য গুৰুত্বপূৰ্ণ মিছন। এই বিষয়টোৱে ৰাষ্ট্ৰীয় স্বাৰ্থত আঘাত হানিছে। ইতিমধ্যে কেন্দ্ৰৰ নিৰ্দেশনা গৈ পাইছে ইছৰোৰ অন্তৰ্গত সতীশ ধাৱান স্পেচ চেণ্টাৰ (এছডিএছচি), লিকুইড প্ৰপালচন ছিষ্টেমছ চেণ্টাৰ (এলপিএছচি), স্পেচ এপ্লিকেচনছ চেণ্টাৰ (এছএচি), নেচনেল ৰিম’ট চেন্সিং চেণ্টাৰ (এনআৰএছচি), ইছৰো টেলিমেট্ৰি, ট্ৰেকিং এণ্ড ক’মাণ্ড নেটৱৰ্ক (আইএছচিটিআৰএচি) আৰু মাষ্টাৰ কণ্ট্ৰ’ল ফেচিলিটীলৈ (এমচিএফ)।

# অৰুণাচলী বনধ্বংসকাৰী

অসামৰিক প্ৰশাসনৰ সৈতে পৰিস্থিতি পৰ্যালোচনা কৰে। ইয়াৰ লগতে সংৰক্ষিত বনাঞ্চলখনৰ সুৰক্ষা আৰু ক্ষতিগ্ৰস্ত অঞ্চলৰ পুনৰ উদ্ধাৰ আৰু ক্ষেত্ৰভিত্তিক প্ৰশাসন ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ এলানি জৰুৰী পদক্ষেপৰ কথা ঘোষণা কৰে। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে ক্ষতিগ্ৰস্ত স্থানসমূহত নিজে উপস্থিত হৈ ড্ৰোনৰ জৰিয়তে পৰ্যবেক্ষণ কৰে। ইয়াৰ উপৰি তেওঁ নিৰাপত্তা ব্যৱস্থাৰ বুজ আৰু সংৰক্ষিত বনাঞ্চলখনৰ সুৰক্ষাত নিয়োজিত বনকৰ্মীসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে ইতিমধ্যে অৱক্ষয় ঘটা বনাঞ্চলখনৰ পুনৰুজ্জীৱিতকৰণ আৰু পাৰিপাৰ্শ্বিক ভাৰসাম্য ঘূৰাই আনিবলৈ বন বিভাগৰ সৈতে ঘনিষ্ঠ সমন্বয় ৰাখি প্ৰণালীবদ্ধভাৱে বৃক্ষৰোপণ আৰু পৰিৱেশ পুনৰুদ্ধাৰৰ কাম কৰিবলৈ তেওঁ ইক’লজিকেল টাস্ক ফ’চক নিৰ্দেশ দিয়ে। তাৰ উপৰি তেওঁ বিষয়াসকলক বৰ্তমান থকা বন শিবিৰসমূহৰ অভাৱ-অভিযোগসমূহ তৎকালে দূৰ কৰিবলৈ আৰু স্পৰ্শকাতৰ স্থানসমূহলৈ যোৱা পথসমূহৰ উন্নতি সাধন তথা প্ৰয়োজন হ’লেই জোৱানসকলক খৰতকীয়াকৈ মোতায়েন কৰিব পৰাকৈ এটা অতিৰিক্ত সংযোগকাৰী পথ নিৰ্মাণ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। বনাঞ্চলখনৰ নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰিবলৈ অসম আৰক্ষী আৰু ফৰেষ্ট বেটেলিয়নক যুটীয়াভাৱে স্পৰ্শকাতৰ অঞ্চলসমূহত কাম কৰিবলৈ নিৰ্দেশ দিয়ে। চৰকাৰৰ দৃঢ় সংকল্পৰ কথা সোঁৱৰাই মন্ত্ৰীগৰাকীয়ে কয়-এজোপাও গছ কাটিবলৈ দিয়া নহ’ব। অসম চৰকাৰ নিজৰ বনভূমিৰ প্ৰতি ইঞ্চি সুৰক্ষিত কৰিবলৈ সম্পূৰ্ণ দায়বদ্ধ আৰু ভৱিষ্যতে যাতে কোনোধৰণৰ ধ্বংসযজ্ঞ নহয়, তাৰ বাবে যাৱতীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হ’ব।

# ৩ আগষ্টৰ পৰা পুনৰ মুকলি হ’ব

আছে। এতিয়ালৈ বানে কোনো মথাউৰি ভগা নাই যদিও খহনীয়াই ভয়াৱহ ৰূপ ধৰিছে। বিশেষকৈ চাবুৱা সমষ্টিত সৃষ্টি হোৱা গৰাখহনীয়া চিন্তনীয় বিষয় হৈ পৰিছে। অহা ২ আগষ্টত মুখ্যমন্ত্ৰীয়ে উক্ত গৰাখহনীয়া অঞ্চলসমূহ পৰিদৰ্শন কৰিব বুলিও আজি উল্লেখ কৰে। কামাখ্যা মন্দিৰ কৰিড’ৰৰ কথা উল্লেখ কৰি ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰীয়ে কয়- কাশী বিশ্বনাথ মন্দিৰ কৰিড’ৰৰ দৰে কামাখ্যাতো আজিৰে পৰা প্ৰস্তাৱিত কোটি টকা ব্যয়েৰে আৰম্ভ হৈছে কামাখ্যা কৰিড’ৰৰ কাম। ২০০৪ চনতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আধাৰশিলা স্থাপন কৰা এই কৰিড’ৰ যোৱা সময়ছোৱাত উচ্চন্যায়ালয়ৰ এক গোচৰৰ বাবে স্থগিত হৈ আছিল যদিও এই কৰিড’ৰৰ নিৰ্মাণৰ কাম আৰম্ভহৈছে। ইয়াৰ ফলত অসমৰ পৰ্যটনৰ দৃষ্টিকোণেৰে ই এক বৃহৎ সংযোজন হ’ব। গুৱাহাটী চিৰিয়াখানা নতুন ৰূপত সজাই তোলাৰো ইতিমধ্যে স্পষ্ট কৰা হৈছিল। ইয়াৰ সমান্তৰালভাৱে চৰকাৰে বটদ্ৰৱা সত্ৰক আধুনিক স্পৰ্শৰে যিদৰে ধুনীয়া কৰি তোলা হৈছে, সেই একেধৰণেই মধুপুৰ সত্ৰখনকো সজাই-পৰাই তোলা হ’ব। ইয়াৰ বাবে বাজেটত ৩৫ কোটি টকা ধাৰ্য কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে জীৱনৰ অন্তিম সময় কটোৱা মধুপুৰ সত্ৰৰ উন্নয়নৰ বাবে পশ্চিমবংগ চৰকাৰৰ সৈতে এই সন্দৰ্ভত অচিৰেই আলোচনা কৰা হ’ব। তদুপৰি ৰংঘৰৰ আৰ্হিৰ দৰে কাৰেংঘৰকো পৰ্যটন আৰু ইতিহাসৰ দৃষ্টিকোণৰ পৰা সজাই তোলা হ’ব। আজি মুখ্যমন্ত্ৰীয়ে লাচিত বৰফুকনক লৈ ৰাষ্ট্ৰীয় পৰ্যায়ত অথবা বাণিজ্যিক ভিত্তিত এখন চিনেমা নিৰ্মাণৰ কথা উল্লেখ কৰে। ফেচবুক লাইভযোগে এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ‘ধুৰন্ধৰ’ হিন্দী ছবিখনে যিদৰে ব্লকবুষ্টাৰ ছবিৰূপে পৰিগণিত হৈছে সেই একেই ধৰণে লাচিত বৰফুকন সন্দৰ্ভত এক ছুপাৰহিট ছবি নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। ধুৰন্ধৰৰ পৰিচালক আদিত্য ধৰৰ সৈতে ইয়াৰ বাবে টেলিফোনযোগে বাৰ্তালাপ কৰা হৈছে। লাচিত বৰফুকন সন্দৰ্ভত হিন্দী ভাষাত গোটেই দেশে চাব পৰাকৈ এখন ছবি নিৰ্মাণ কৰা বিষয়টো সন্দৰ্ভত আদিত্য ধৰৰ সৈতে আলোচনা কৰা হৈছে। অহা আগষ্ট মাহত এই সন্দৰ্ভত আদিত্য ধৰে কথা পাতিব বুলিও উল্লেখ কৰিছে। মিছন বসুন্ধৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভযোগে কয়- মিছন বসুন্ধৰাৰ জৰিয়তে ইতিমধ্যে ১০ লাখ পৰিয়াল উপকৃত হৈছে। কিন্তু ইয়াৰ পিছতো ভূমিৰ সমস্যা এতিয়াও শেষ হৈ যোৱা নাই। দেৱোত্তৰ ভূমি, ভিজিআৰ, বনভূমিকে ধৰি কেইবাটাও শ্ৰেণীত থকা হেতুকে প্ৰচলিত আইনৰ অধীনত ভূমি আবণ্টন দিয়াটো সহজ নহয়। এই লক্ষ্যৰে ২৫ ডিচেম্বৰৰ পৰা বসুন্ধৰা-৪.০ৰ কাম আৰম্ভ কৰা হ’ব। সেয়েহে এই মিছন আৰম্ভ কৰাৰ পূৰ্বে যিসকলে এনেধৰণৰ ভূমিৰ সমস্যাত ভুগি আছে, তেওঁলোকে এক প’ৰ্টেলৰ জৰিয়তে চৰকাৰক অৱগত কৰিব পাৰিব। বসুন্ধৰা সম্পৰ্কত চৰকাৰে পৰামৰ্শ গ্ৰহণ কৰিবলৈ এক প’ৰ্টেল মুকলি কৰা হ’ব। সেই প’ৰ্টেলত ভূমি সম্পৰ্কীয় বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে আজি যোৰহাট-মাজুলী সংযোগী দলং ২০২৮ চনৰ ভিতৰত সম্পূৰ্ণ হ’ব বুলিও অৱগত কৰে। ‘ককাদেউতা নাতি আৰু হাতী-২’ চিনেমাখনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ফেচবুক লাইভযোগে কয়- এই ছবিখনৰ সৈতে মোৰ শৈশৱৰ স্মৃতি জড়িত হৈ আছে। ‘ককাদেউতা নাতি আৰু হাতী’ প্ৰথম ছবিখনৰ শ্বুটিং কামপুৰৰ এখন দলঙৰ ওপৰত হৈছিল। তেতিয়া মোৰ বয়স আছিল ৯ বছৰ। যিখন দলঙৰ ওপৰত শ্বুটিং কৰা হৈছিল সেই দলংখনৰ সমান্তৰালভাৱে নতুন এখন দলং নিৰ্মাণ কৰা হৈছে। উক্ত দলংখন উদ্বোধনৰ সময়ত মোক ৰাইজে পুনৰ হাতীত উঠাইছিল। সেই স্মৃতিয়ে যথেষ্ট আনন্দ দিয়ে। কেতিয়াবা আত্ম জীৱনী লিখিলে এই ছবিখনৰ সৈতে জড়িত হৈ থকা স্মৃতিৰ কথাও লিখিম।

# অত্যাৱশ্যকীয় সামগ্ৰীৰ

কিছুদিন পূৰ্বলৈকে প্ৰতি কিলোগ্ৰামত ২৪০-২৬০ টকাকৈ বজাৰত বিক্ৰী হৈ থকা কটা ব্ৰইলাৰ কুকুৰাৰ মাংস এতিয়াৰে পৰা বিক্ৰী হৈছে প্ৰতি কিলোগ্ৰামত ৩০০ টকাকৈ। একেদৰে কিছুদিন পূৰ্বলৈ গোটা ব্ৰইলাৰ কুকুৰা প্ৰতি কিলোগ্ৰামত ১৬০-১৭০ টকাকৈ বিক্ৰী হৈ আছিল যদিও সম্প্ৰতি প্ৰতি কিলোত ২০০ টকাকৈ বজাৰত বিক্ৰী হৈ আছে। হঠাতে ব্ৰইলাৰ কুকুৰাৰ দাম বৃদ্ধি ঘটাক লৈ একাংশ ব্যৱসায়ীয়ে সদৰী কৰা মতে উৎসতে ব্ৰইলাৰ কুকুৰাৰ দাম বৃদ্ধি পাইছে। কিছুদিন পূৰ্বলৈকে পাইকাৰী হাৰত ব্ৰইলাৰ প্ৰতি কিলোগ্ৰামত ১৩০ টকাকৈ উপলব্ধ হৈছিল যদিও এতিয়া ১৫০-১৬০ টকাকৈ খুচুৰা ব্যৱসায়ীয়ে ক্ৰয় কৰিবলগীয়া হৈছে। যাৰ বাবে খুচুৰা বজাৰত ব্ৰইলাৰৰ দাম বঢ়াবলগীয়া হৈছে। উৎসত দাম বৃদ্ধিৰ লগতে শেহতীয়াকৈ পৰিবহণৰ ক্ষেত্ৰতো ব্যয় পূৰ্বৰ তুলনাত বৃদ্ধি পাইছে। যাৰ পৰিপ্ৰেক্ষিতত পূৰ্বৰ দামত গ্ৰাহকক মাংস দিলে খুচুৰা ব্যৱসায়ীসকলৰ বিশেষ লাভ নহয় বুলি একাংশ ব্যৱসায়ীয়ে জানিবলৈ দিছে। অৱশ্যে ব্ৰইলাৰ কুকুৰাৰ দাম কেতিয়ালৈকে কমিব, এই সন্দৰ্ভত অজ্ঞতা প্ৰকাশ কৰি ব্যৱসায়ীসকলে সদৰী কৰা মতে উৎসত দাম কমাৰ লগতে পেট্ৰ’ল-ডিজেলৰ দাম কমিলে হয়তো সকলোৰে বাবে পূৰ্বৰ দৰেই সুলভ হৈ পৰিব ব্ৰইলাৰ কুকুৰাৰ মাংস।

# চাকৰিৰ পৰা বৰ্খাস্ত

অনুপস্থিত থকা আৰু কাৰ্যালয়ৰ সময়ছোৱাত মদ্যপায়ী অৱস্থাত থকাৰ গুৰুতৰ অভিযোগ আদিকে ধৰি বহু অভিযোগ তেওঁৰ বিৰুদ্ধে উত্থাপন হৈছিল। উৰ্ধ্বতন বিষয়াৰ নিৰ্দেশক পোনপটীয়াভাৱে অৱজ্ঞা কৰাৰ অভিযোগ আছিল অৰূপ কুমাৰ চক্ৰৱৰ্তীৰ বিৰুদ্ধে। এনেবোৰ অভিযোগ সন্দৰ্ভত ২০১৫ চনৰ ৮ মে’ত চৰকাৰে বিষয়াগৰাকীক এখন কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছিল আৰু তেওঁ ইয়াৰ লিখিত উত্তৰো দিছিল। ইয়াৰ পিছতে সমগ্ৰ ঘটনাৰ তদন্তৰ বাবে চৰকাৰে অসমৰ প্ৰাক্তন ৰাজ্যিক তদন্তকাৰী বিষয়া ড° ৰোচন আৰা বেগম (অৱসৰপ্ৰাপ্ত আই এ এছ)ক নিযুক্তি দিয়ে। ২০১৮ চনৰ মে’ মাহত দাখিল কৰা তদন্তকাৰী বিষয়াৰ প্ৰতিবেদনত চক্ৰৱৰ্তীৰ বিৰুদ্ধে থকা কৰ্তব্যত অৱহেলা, জ্যেষ্ঠ বিষয়াক অৱজ্ঞা আৰু ‘অসম অসামৰিক সেৱা (আচৰণ) নিয়মাৱলী, ১৯৬৫’ উলংঘা কৰাৰ সকলো অভিযোগ সত্য বুলি প্ৰমাণ হয়। স্মৰ্তব্য যে ২০১৮ চনৰ পৰা ২০২৬ চনৰ ভিতৰত চৰকাৰে অৰূপ কুমাৰ চক্ৰৱৰ্তীক তেওঁৰ বিৰুদ্ধে উঠা অভিযোগৰ তদন্তৰ প্ৰতিবেদনৰ বিৰুদ্ধে নিজৰ পক্ষ ৰাখিবলৈ বাৰে বাৰে লিখিত জাননী প্ৰেৰণ কৰিছিল। কিন্তু বাৰম্বাৰ সোঁৱৰাই দিয়াৰ পিছতো তেওঁ কোনো উত্তৰ বা প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। বিভাগীয় তদন্তৰ অন্তত চৰকাৰে প্ৰস্তাৱ কৰা বৰ্খাস্তকৰণৰ শাস্তিৰ সন্দৰ্ভত অসম লোকসেৱা আয়োগৰ সৈতে আলোচনা কৰা হৈছিল। ২০২৬ চনৰ ২৭ মাৰ্চত অসম লোকসেৱা আয়োগে চৰকাৰৰ এই শাস্তিমূলক সিদ্ধান্তৰ সৈতে ঐকমত্য পোষণ কৰে। অৱশেষত দীৰ্ঘদিনীয়া অননুমোদিত অনুপস্থিতি, তদন্তৰ ফলাফল আৰু অসম লোকসেৱা আয়োগৰ পৰামৰ্শৰ ভিত্তিত ৰাজ্য চৰকাৰে তেওঁক চূড়ান্তভাৱে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ইয়াৰ লগে লগে ২০১৫ চনৰে পৰা চলি থকা এই অনুশাসনমূলক গোচৰটোৰ সমাপ্তি ঘটে।

# সম্পন্ন নহ’ল জুবিন

হ’ব বুলি আশা কৰিছোঁ। বহু চিন্তা কৰি সঠিক কথাখিনি আদালতক অৱগত কৰিছোঁ। যদি শেষ নহয় তেন্তে আদালতে পৰৱৰ্তী সময়ত যেতিয়াই বিচাৰিব, তেতিয়াই সাক্ষ্য দিবলৈ হাজিৰ হ’ম। আদালতৰ ওপৰত আমাৰ ভৰসা আছে। ইয়ালৈ যিমান মানুহে সাক্ষ্য দিবলৈ আহিছে, সকলোৱে সত্য কথাখিনি অৱগত কৰিছে। মোৰ বিশ্বাস, য’ত সত্য আছে তাত ন্যায় থাকিবই। ইপিনে ফাষ্টট্ৰেক আদালতত গোচৰটো সুন্দৰভাৱে চলি থকাৰ পাছতো সিদ্ধাৰ্থ-শ্যামকানুৱে সমগ্ৰ বিচাৰ প্ৰক্ৰিয়াটো বহিঃৰাজ্যৰ আদালতত সম্পন্ন কৰিবলৈ চলোৱা চেষ্টা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত শিল্পীগৰাকীৰ ভগ্নী ড° বৰঠাকুৰে পুনৰ কয় যে সিদ্ধাৰ্থ-শ্যামকানুৱে যিদৰে নহওক পলাবলৈ চেষ্টা কৰিবই। আমি সেইটো হ’বলৈ দিব নিদিওঁ। যিমান পাৰোঁ ৰোধ কৰাৰ চেষ্টা কৰিম। ফাষ্টট্ৰেক আদালতত স্বচ্ছভাৱে সমগ্ৰ প্ৰক্ৰিয়াটো চলি আছে। সকলোৱে আদালতৰ ভূমিকাক লৈ সন্তুষ্ট। যি হ’বলগীয়া আছে ইয়াতেই হ’ব লাগিব। নিজৰ বক্তব্যৰ মাজতে ড° বৰঠাকুৰে পুনৰ কয় যে বিপক্ষৰ উকীলে বিভিন্ন ধৰণে প্ৰশ্নবোৰ মোক কৰিছে। বহু কাৰিকৰী বিষয়ো তেওঁলোকৰ প্ৰশ্নবোৰত সন্নিবিষ্ট হৈছে। মই সুন্দৰভাৱে প্ৰশ্নবোৰৰ উত্তৰ দিছোঁ। উল্লেখ্য যে মুকলি আকাশৰ তললৈ ওলাই অহাৰ আপ্ৰাণ চেষ্টা কৰিছে জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্তৰ। প্ৰতিটো অভিযুক্তই বাৰম্বাৰ কৰিছে জামিন আবেদন। তাৰে মাজতে জামিনৰ শুনানি বিফলে গৈছিল জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ তথা অভিযুক্ত সন্দীপন গাৰ্গৰ। উচ্চ ন্যায়ালয়ত বুধবাৰে সম্পন্ন হোৱা নাছিল সন্দীপন গাৰ্গৰ শুনানি।

## ENGLISH NEWS SECTION

# Governor attends Lord Jagannath Rath Yatra Mahotsav in Dibrugarh



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya attended the Jagannath Rath Yatra Mahotsav organised by Shri Shri Jagannath Cultural Trust in Dibrugarh and extended his heartfelt greetings and best wishes to the devotees on the auspicious occasion. Conveying his greetings, Governor Shri Acharya said, "Rath Yatra is a timeless symbol of India's rich cultural heritage, spiritual values, social harmony and inclusiveness. The divine journey of Lord Jagannath, Lord Balabhadra and Devi Subhadra inspires people to uphold the ideals of compassion, selfless service and dedication towards the welfare of society." Hailing the efforts of Shri Shri Jagannath Cultural Trust, the Governor lauded the organisation for promoting cultural awareness, social service and communal harmony in Dibrugarh and elsewhere. He also called upon the youth to preserve India's cultural heritage while embracing modernity and urged citizens to make cleanliness, environmental conservation and social responsibility an integral part of their lives. Praying for the blessings of Lord Jagannath, Lord Balabhadra and Devi Subhadra, the Governor wished for peace, prosperity, good health and progress for the people of Assam and the nation.

## Governor visits Manohari Tea Estate




Guwahati, RB News: On the last leg of his two-day visit to Dibrugarh district, Assam Governor Shri Lakshman Prasad Acharya, visited Manohari Tea Estate and interacted with tea garden workers, students of Manohari TE LP School and members of the estate community. During the interaction, Governor Shri Acharya enquired about the various welfare measures and facilities being extended to the tea garden community, particularly in the areas of sanitation, drinking water, healthcare and education. He also sought feedback from the workers regarding the welfare initiatives undertaken for their overall development and well-being. Interacting with the students, the Governor distributed sweets among them and quizzed them about their studies and their interests. He further hoped that they would become successful citizens in the days to come. Later, the Governor visited the tea factory and inaugurated the Tea Tasting and Tourist Lounge, which is expected to showcase the rich legacy of Assam tea and offer visitors an opportunity to gain deeper insights into the traditions and history of the tea industry. During his visit to the factory, the Governor also enquired about the different varieties of tea being produced at the estate and was briefed on the processing methods involved in their manufacture.

## West Indies legend Sir Garfield Sobers passes away



RB News: One of the greatest all-rounders in cricket history and a former West Indies captain, Sir Garfield Sobers passed away on Friday at the age of 89. Born in Bridgetown, Barbados, in 1936, Sobers was exactly 11 days shy of completing his 90th birthday. His son Daniel confirmed the news. One of the finest all-rounders the game has ever seen, Sobers played 93 Tests and scored 8,032 runs at 57.78 with 26 centuries and 30 half-centuries and taking 235 wickets.He played in a solitary ODI, taking one wicket. He was also the first-ever batter to have hit six sixes in an over in First-Class cricket, playing for Nottinghamshire against Glamorgan in 1968.

## PV Sindhu becomes first Indian badminton player to win Japan Open title




RB News: Two-time Olympic medallist PV Sindhu defeated home favourite Akane Yamaguchi in straight games to win her maiden Japan Open title and first Super 750 crown in Tokyo on Sunday. The 31-year-old, first Indian to win the Japan Open, combined relentless attack with tactical discipline and composure in the decisive moments to register a 21-17, 21-17 victory over the three-time world champion Yamaguchi, securing her first title in more than two years. Sindhu's last title came at the Syed Modi International in 2024.

## England beat India by 4 wickets



RB News: England defeated India by 4 wickets in the second ODI of the 3-match series at Sophia Gardens in Cardiff last night to level the series 1-1. After being invited to bat first, Shubman Gill-led Men-in-Blue got bundled out for just 233 runs in 44 overs. Shreyas Iyer emerged as top scorer with 66 runs, while Virat Kohli also contributed 65 runs. For England, Jofra Archer and Gus Atkinson each bagged 3 wickets. Saqib Mahmood also picked up 2 wickets. In reply, hosts England comfortably overhauled the target in 45th over with 4 wickets in hand as Joe Root scored an unbeaten 99 runs and missed his ton by a run. For India, Gurnoor Brar bagged 2 wickets. Joe Root was adjudged Player of the Match for his match-winning innings. The series decider will take place on Sunday.

## India U-19 World Cup hero Manjot Kalra arrested



RB News: Former India Under-19 cricketer Manjot Kalra, one of the co-owners of Lanka Premier League franchise Jaffna Kings, was arrested in Sri Lanka on Friday for allegedly trying to induce a player into corrupt practice. Kalra was produced before magistrate and remanded until July 31. His associate, Indian national Yuvraj Pushpa, was also arrested. Kalra scored an unbeaten century in Under-19 World Cup 2018 final against Australia.

# বিক্ৰী যোৱা বিবেক

শৈলেন কুমাৰ, মির্জা



জ্ঞানহীন মগজুত অহংকাৰৰ বাস,
সুবিধাবাদী চৰিত্ৰৰে সমাজ কৰিলোঁ নাশ।
নীতিহীন লক্ষ্য আমাৰ, নাই কোনো স্থিতি,
শক্তিৰ ওচৰত আঁঠু লৈ কৰোঁ তোষামোদৰ নীতি।
ষড়যন্ত্ৰৰ জাল নিজৰে ভিতৰত,
পথ প্ৰদৰ্শকেই আজি বিক্ৰী গ'ল বজাৰত।
নৱপ্ৰজন্মক দেখুৱাওঁ ভুল পথৰ দিশ,
আমাৰ চেলিব্ৰিটি ৰূপত লুকাই আছে বিষ।
'হুজুৰ' বুলি মূৰ দোঁওৱা স্বভাৱ হ'ল স্থায়ী,
আত্মা বিক্ৰী কৰি আমি লওঁ সন্তুষ্টি।
আদৰ্শৰ কি কাম যদি ভৰি চেলেকিলেই চলে?
মানুহ ৰূপী দানৱ আমি, চিনাকি পাওঁ ছলে-বলে।
ভণ্ডতাৰ আবৰণেৰে অভিসন্ধি ৰচো,
সত্য ওলাই পৰিলে মিছা লাজত মৰো।
সবে কয় আজিৰ দিনত পইচাই ভগৱান,
টকাৰ বাবে হেৰুৱালোঁ মান-অভিমান।
পইচাই যদি সৰ্বস্ব, তেন্তে সুধোঁ তোমাক ভাই,
নিজস্বতাকো জানো বেচিব পৰা পইচাৰ আশাই?
হেৰা তথাকথিত চেলিব্ৰিটি, এৰা এই ভণ্ডামী,
টকাৰ বাবে ইমান তললৈ নানামিবা তুমি।

# সন্ধ্যা

বনজিত দাস,
ৰিহাবাৰী, বজালী



এধানি এধানিকৈ নামি অহা
সন্ধ্যাৰ লাজুক খোজত
বুকুত ডুবিল পোহৰৰ ছাঁ
জোনাকী পৰুৱাৰ ঢৌ তুলি
বিষাদৰ চাকনৈয়া ।
মৌনতাই গান গোৱা
জীৱনৰ গীতত
হেজাৰ আশাৰ তৰাৰ তিৰবিৰ ।
তাতে সৰে আন্ধাৰৰ বুকুত
এটুকুৰা অনন্ত পোহৰ
নতুন প্ৰভাতৰ প্ৰতিশ্ৰুতি ।
কথাটো পতা নহ'ল
সন্ধিয়াৰ পোহৰৰ যুঁজত —
এন্ধাৰ আৰু মৃত্যুৰ
সময়ৰ নীৰৱ বাৰ্তালাপ ।
য'ত শব্দ হেৰাই
মাথো প্ৰতিধ্বনিত হয়
অস্তিত্বৰ গোপন অৰ্থ ।

# আজিৰ সমাজত নাৰীৰ

এখন পৰিয়াল নিৰ্ভৰশীল হৈ পৰিয়ালৰ সকলো সদস্যৰ প্ৰয়োজনসমূহ পূৰণ কৰাটো বহু ক্ষেত্ৰত কঠিন হৈ পৰে। আনহাতে স্বামী-স্ত্ৰী উভয়ে উপাৰ্জন কৰিলে পৰিয়ালৰ আয় বৃদ্ধি পায়, সন্তানৰ শিক্ষা, স্বাস্থ্য আৰু উন্নত জীৱনযাপনৰ সুযোগো বৃদ্ধি পায়।

তৃতীয়তে, আৰ্থিক ভাৱে স্বাৱলম্বি নাৰীৰ অৰ্থনৈতিক স্বাধীনতাই দৰিদ্ৰতা হ্ৰাস কৰাত গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰাৰ লগতে ই হৈছে দেশৰ অৰ্থনৈতিক উন্নয়নৰ চালিকা শক্তি। যেতিয়া অধিক সংখ্যক নাৰী কৰ্মসংস্থাপন বা উদ্যোগৰ সৈতে জড়িত হয়, তেতিয়া দেশৰ উৎপাদন বৃদ্ধি পায়, নতুন উদ্যোগ গঢ়ি উঠে আৰু সামগ্ৰিকভাৱে দেশৰ অৰ্থনীতি শক্তিশালী হয়। উন্নয়নৰ পথত নাৰীৰ অংশগ্ৰহণ অবিহনে কোনো দেশেই সম্পূৰ্ণৰূপে সফল হ'ব নোৱাৰে। পুৰুষ আৰু নাৰী, উভয়েই অৰ্থনৈতিক উন্নয়নৰ পথত অংশগ্ৰহণ আৰু বৰঙণিৰ যোগোৱাৰ ফলত দেশৰ প্ৰগতি দ্ৰুত হাৰত সম্ভৱ হৈ উঠিব।

চতুৰ্থতে, অৰ্থনৈতিকভাৱে স্বাৱলম্বী নাৰীসকলে বহু ক্ষেত্ৰত ঘৰুৱা হিংসা, শোষণ আৰু বৈষম্যৰ বিৰুদ্ধে দৃঢ়ভাৱে থিয় দিব পাৰে। আজিৰ সমাজত, বিশেষকৈ পুৰুষ প্ৰধান সমাজত, সম্পূৰ্ণভাৱে আনৰ ওপৰত নিৰ্ভৰশীল মহিলাসকল বহু সময়ত অন্যায় সহ্য কৰিবলৈ বাধ্য হয়। কিন্তু নিজৰ উপাৰ্জন থাকিলে, আৰ্থিক ভাৱে স্বাৱলম্বি হ'লে, তেওঁ সেই অন্যায়ৰ প্ৰতিবাদ কৰাৰ সাহস লাভ কৰে।

বৰ্তমান অসমৰ বিভিন্ন অঞ্চলত বহু নাৰীয়ে আত্মসহায়ক গোট, ক্ষুদ্ৰ উদ্যোগ, কৃষি, হস্তশিল্প, তাঁতশিল্প, খাদ্য প্ৰস্তুতকৰণ, ডিজিটেল ব্যৱসায় আদিৰ জৰিয়তে আত্মনিৰ্ভৰশীল হোৱাৰ দিশে আগবাঢ়িছে। এই ক্ষেত্ৰত চৰকাৰেও বহুতো উদ্‌গনিমূলক পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰী আঁচনি, বেংকৰ ঋণৰ সুবিধা, দক্ষতা বিকাশ কাৰ্যসূচী আৰু ডিজিটেল প্ৰযুক্তিয়ে এই ক্ষেত্ৰত নতুন সম্ভাৱনা সৃষ্টি কৰিছে। কিন্তু এতিয়াও গ্ৰাম্যাঞ্চলৰ বহু নাৰীয়ে শিক্ষাৰ অভাৱ, সামাজিক কুসংস্কাৰ, সম্পত্তিৰ অধিকাৰৰ সীমাবদ্ধতা তথা বঞ্চিত আৰু কৰ্মসংস্থাপনৰ অভাৱৰ বাবে পিছ পৰি আছে আৰু আৰ্থিক স্বাৱলম্বিতাৰ অভাৱৰ বাবেই পুৰুষ প্ৰধান সমাজত শোষণ তথা অন্যায় অত্যাচাৰৰ সন্মুখীন হৈছে ।

ডিজিটেল প্ৰযুক্তিৰ যুগত নাৰীৰ বাবে নতুন নতুন সুযোগ সৃষ্টি হৈছে। অনলাইন ব্যৱসায়, ফ্ৰিলেন্সিং, ডিজিটেল বিপণন, অনলাইন শিক্ষা আৰু ঘৰত বহিয়েই আয় কৰাৰ বহু পথ মুকলি হৈছে। এই সুযোগসমূহৰ সঠিক ব্যৱহাৰ কৰিবলৈ ডিজিটেল সাক্ষৰতা আৰু দক্ষতা বৃদ্ধি কৰাটো অত্যন্ত প্ৰয়োজন। কাৰণ, ডিজিটেল প্ৰযুক্তিৰ লাভালাভৰ সুযোগ গ্ৰহণ কৰি বহু সময়ত ঠগ প্ৰৱঞ্চনাকাৰী সকলে সহজ সৰল মহিলাসকলক সুবিধা প্ৰদান কৰাৰ নামত প্ৰৱঞ্চনা আৰু লুণ্ঠন কৰাৰো ঘটনা সংঘটিত হৈছে। সেয়ে ডিজিটেল যুগৰ প্ৰকৃত সুবিধাসমূহ লাভ কৰিবলৈ সঠিক তথ্য সংগ্ৰহ আৰু বিশ্লেষণ কৰি সিদ্ধান্ত লোৱাটো আৱশ্যক।

নাৰীৰ অৰ্থনৈতিক স্বাৱলম্বিতা তথা স্বাধীনতা নিশ্চিত কৰিবলৈ সমাজ, পৰিয়াল আৰু চৰকাৰ, সকলো পক্ষৰে সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজন। কন্যা শিক্ষাৰ প্ৰসাৰ, দক্ষতা বিকাশ, কৰ্মক্ষেত্ৰত একে কামৰ বাবে সমান দৰমহা, নিৰাপদ কৰ্মক্ষেত্ৰৰ পৰিৱেশ, সহজলভ্য ঋণৰ সুবিধা, উদ্যোগ গঢ়ি তোলাত সহায় কৰা, সুস্থ সামাজিক পৰিৱেশ আৰু পুৰুষ মহিলা উভয়েই সম-অধিকাৰৰ লগতে উন্নয়নৰ পথত অৰিহণা যোগোৱাত সমানেই সক্ষম ধাৰণাৰ মানসিকতা গঢ়ি তোলা, এই সকলো দিশত সমানে গুৰুত্ব দিব লাগিব।

এখন উন্নত, সমতাভিত্তিক আৰু আৰ্থিক ভাৱে সমৃদ্ধ সমাজ গঢ়িবলৈ নাৰীৰ অৰ্থনৈতিক কাৰ্য্যত অংশগ্ৰহণৰ যোগেদি আৰ্থিক স্বাৱলম্বিতা অপৰিহাৰ্য। নাৰীক কেৱল পৰিয়ালৰ দায়িত্বত সীমাবদ্ধ কৰি ৰাখিলে সমাজৰ এক বৃহত শক্তিক অপচয় কৰা হ'ব, আৰু ইয়াৰ ফলত সমাজ তথা দেশৰ দ্ৰুত অৰ্থনৈতিক উন্নয়ন সম্ভৱ নহ'ব। সেয়ে নাৰীক শিক্ষিত, দক্ষ আৰু অৰ্থনৈতিকভাৱে স্বাৱলম্বি কৰি তোলাটো বৰ্তমান সময়ৰ দাবী। যিদিনা প্ৰতিগৰাকী নাৰীয়ে নিজৰ সিদ্ধান্ত নিজে ল'ব পাৰিব, নিজৰ উপাৰ্জনৰ ওপৰত নিজৰ অধিকাৰ থাকিব, সেইদিনাই সমাজত প্ৰকৃত অৰ্থত সমতা, মৰ্যাদা আৰু উন্নয়নৰ নতুন দিগন্ত উন্মোচিত হ'ব।

# উজাগৰি নিশাৰ স্বপ্ন

মানুহৰ কটু বাক্য, ইতিকিং, লাঞ্চনা আদিৰ সন্মুখীন হৈও নমামীক ডাঙৰ কৰিলেই, সেই সমাজে আজি প্ৰশ্ন কৰে নমামীৰ পৰিচয়ক লৈ। কিন্তু এই ক্ষেত্ৰত নিৰ্বিকাৰ নম্ৰতা, তাই আজীৱন এই সমাজৰ পৰা যি শিক্ষা লাভ কৰিছিল, যি অভিজ্ঞতা লাভ কৰিছিল, তাৰ আধাৰত নমামীক শিক্ষা দিছিল যে কোনো দিন কোনো কাৰণত নিজৰ অস্তিত্বৰ ওপৰত যদি কোনোৱে প্ৰশ্ন কৰে তেতিয়া তাৰ উত্তৰ কেৱল কৰ্মৰ দ্বাৰা দিয়া উচিত। আমাৰ এই সমাজত দুৰ্বল মানুহক দুৰ্বলতাৰ সুযোগ লৈ মানসিক ভাৱে কেনেদৰে ভাঙি দিব পাৰি সেইয়া হে চিন্তা কৰে। কিন্তু অসহায় লোকক সহায় কৰিব যে লাগে, সেই চিন্তা নকৰে।

ওৰে ৰাতি উজাগৰে পাৰ কৰাৰ পাছতো কেৱল শুই থকা নমামীৰ মুখলৈ চাই নিজৰ কৰ্মত অতুল হৈ আছিল তাই। আৰু আজি নিমাতীৰ সফলতাই যে উচ্চ শিখৰত উপনীত হৈছে তাই। উজাগৰি নিশাৰ এই স্বপ্ন যে আজি বাস্তৱ হ'ল তাইৰ। কথাখিনি কৈ মৌন হৈ ৰ'ল নম্ৰতা।

নম্ৰতাৰ মৌন মুখৰ অভিব্যক্তিয়ে শ্যামলিকাৰ মুখমণ্ডল অধিক উজ্জ্বল কৰি গৈছিল। শ্যামলিকাই তাইলৈ চাই ভাবিছিল নম্ৰতাৰ দৰে হাজাৰ হাজাৰ মহিলা আমাৰ সমাজত আছে, যিয়ে এই সমাজৰ ভয়ত, সমাজৰ লোকৰ ইতিকিংসূচক মন্তব্যক আওকাণ কৰি আগুৱাই গৈছিল জীৱন যুঁজত। এই পুৰুষ প্ৰধান সমাজৰ শিকলি চিঙি নম্ৰতাৰ দৰে বহু মহিলাই কৰি গৈছিল জীৱন সংগ্ৰাম। জীয়াই ৰাখিছিল নিজৰ অস্তিত্বক।

# সময়ত লোৱা সু

হৈ জীৱনৰ সমস্যা বোৰে গভীৰ সাঁচ বহুৱাই মনৰ অস্থিৰতাবো সৃষ্টি কৰা পৰিলক্ষিত হয় ।

যেনেকৈ ধৈৰ্যৰ প্ৰয়োজন সেইদৰে সাহসৰো প্ৰয়োজন মনত সাহস আৰু উদ্দমে সিদ্ধান্ত লোৱাত সহায় কৰে । গভীৰ সমস্যাৰ সময়ত সিদ্ধান্ত লবলৈ সাহসৰ প্ৰয়োজন। মন স্থিৰ ৰাখি সময়ৰ সৎ ব্যৱহাৰ আৰু সাহসেৰে লোৱা সিদ্ধান্তত নিজকে নেতিবাচক কথাৰ পৰা আতৰাই ৰাখি আগুৱাই যাব পাৰিব লাগিব। ধৈৰ্য আৰু সাহসৰ লগতে পৰিকল্পনা আৰু নিজৰ মনক মানসিক ভাৱে প্ৰস্তোত কৰিব পৰা জনে জীৱনতো সুন্দৰ কৰিব পাৰে ।

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286